
# অমিয় কুমাৰ দাস



ৰাজু বৰুৱা

*“শোণিত সুবাস”* ঃ তেজপুৰ তথা শোণিতপুৰৰ বিশিষ্ট বৰেণ্য ব্যক্তিৰ গ্ৰন্থমালা। প্ৰকাশক অসমীয়া ক্লাৱ, তেজপুৰ, ৱাৰ্ড নং - ৫, পিন - ৭৮৪০০১

প্ৰকাশক ঃ নীল কান্ত শৰ্মা
সম্পাদক, অসমীয়া ক্লাৱ, তেজপুৰ
ৱাৰ্ড নং - ২, পিন ঃ ৭৯৪০০১,
ফোন ঃ ৯৪৩৫০০৬৬১০

অমিয় কুমাৰ দাস ঃ অমিয় কুমাৰ দাসৰ জীৱন আৰু কৃতি
লিখক ঃ ৰাজু বৰুৱা

প্ৰচ্ছদ ঃ কুমুদ বৰুৱা, তেজপুৰ
সম্পাদক ঃ ৰুবুল শৰ্ম্মা
সম্পাদনা সহযোগী ঃ হেমন্ত কুমাৰ লহকৰ

© ঃ অসমীয়া ক্লাৱ, তেজপুৰ

প্ৰথম প্ৰকাশ ঃ অক্টোবৰ, ২০১৩

বৰঙণি ঃ ২০.০০ টকা

ছপা ঃ টাইকল ষ্টাইল ট্ৰেক, কুমাৰ গাঁও, তেজপুৰ

**ISBN 978-81-928326-0-9**

**Sonit Subash :** A Series of Books on the legendary persons of Tezpur, Sonitpur. Published by Asomiya Club, Tezpur, ward No - 5, PIN - 784001

# প্ৰকাশকৰ একাষাৰ

ইতিহাসক প্ৰগতিৰ দিশলৈ আগুৱাই নিয়াৰ ক্ষেত্ৰত কিছু বিশিষ্ট ব্যক্তিৰ বৰঙণি সদায়েই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে উঠি অহা ন-প্ৰজন্ম আমাৰ বুৰঞ্জীৰ শিপাৰ পৰা বিচ্ছিন্ন হোৱাৰ সংশয়ে দেখা দিছে। আনহাতে স্বনামধন্য, বৰেণ্য ব্যক্তিৰ ঐতিহাসিক সামাজিক ভূমিকা সম্পৰ্কে ন-প্ৰজন্মক অবগত কৰোৱাৰ বিশেষ উদ্যোগ দেখা পোৱা নাযায়। এই ক্ষেত্ৰত চৰকাৰী-বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ ভূমিকাও আশাব্যঞ্জক নহয় আৰু পঢ়াশালিৰ পাঠ্যপুথিতো বিশেষ গুৰুত্ব দিয়া নহয়।

শোণিতপুৰ বা তেজপুৰত এনে বহু ব্যক্তি আছে যি একোটা যুগত দেশ, জাতি, সমাজ-সংস্কৃতি তথা সাহিত্যৰ ক্ষেত্ৰত আপুৰুগীয়া অৱদান ৰাখি গৈছে আৰু আজিও চৰ্চিত হৈ আছে। কিছু ব্যক্তিয়ে জীৱনৰ অধিক সময়েই সমাজৰ হিতৰ বাবে অক্লান্ত পৰিশ্ৰম কৰি গ'ল; অথচ তেওঁলোকৰ অৱদান বালিৰ তলৰ মুকুতা হৈ পৰি আছে। এনে সকলো ব্যক্তিৰ উজ্বল দিশসমূহৰ এক সম্যক পৰিচয় জনমানসৰ ওচৰত তুলি ধৰাৰ পুনৰ প্ৰয়োজন হৈছে। এই লক্ষ্যত ''অসমীয়া ক্লাব, তেজপুৰ''এ শোণিতপুৰ বিশেষকৈ তেজপুৰৰ বৰেণ্য ব্যক্তিৰ পৰিচয়মূলক এলানি পুথি প্ৰকাশৰ দিহা কৰিছে।

ই এক জটিল তথা দুৰূহ কাম, যদিও ক্লাবে তেনে বিশিষ্ট ব্যক্তিৰ এখন দীঘলীয়া তালিকা প্ৰস্তুত কৰিছে। প্ৰথমে কোন কোন ব্যক্তিক প্ৰাধান্য দিয়া হ'ব ? ইয়াৰ উত্তৰত আমি ঠিক কৰিছো যে অসমীয়া ক্লাবৰ সৈতে জড়িত হোৱা ব্যক্তিক প্ৰথমে আমি তুলি ধৰিম যদিও ঐতিহাসিক প্ৰেক্ষাপটৰ ওপৰত ঠিয় হৈ আনসকলকো গুৰুত্ব দিয়া হ'ব। আনহাতে তেজপুৰৰ কিছু বৰেণ্য, বাটকটীয়া ব্যক্তি সমাজত তথা সমগ্ৰ অসমত বহুল চৰ্চিত হৈছে আৰু হৈ আছে; তেনে ব্যক্তিক সদ্যহতে আমি অন্তৰ্ভুক্ত কৰা নাই। উদাহৰণ স্বৰূপে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা আদি।

'অসমীয়া ক্লাৱে' অহা ২০১৫ চনত শতবৰ্ষ উদ্‌যাপন কৰিব। তেতিয়ালৈ কমেও ২০খন পুথি প্ৰকাশৰ লক্ষ্য লৈছে। পৰ্য্যায়ক্ৰমে পাঁচখনকৈ পুথি প্ৰকাশ কৰা হ'ব। 'শোণিত সুবাস' নামেৰে এই গ্ৰন্থমালাৰ নামাকৰণ কৰা হৈছে। আমি নিৰ্দ্দিষ্ট ব্যক্তিৰ পৰিয়ালৰ লোকৰ দ্বাৰা পুথি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছো যদিও আন লেখকৰ দ্বাৰাও এই প্ৰচেষ্টা চলোৱা হৈছে।

আমি বেটুপাতৰ প্ৰথম আৱৰণত অসমীয়া ক্লাবৰ জন্মলগ্নত জড়িত থকা আৰু অসমীয়া ক্লাবৰ আহুকালৰ সময়ত জড়িত প্ৰয়াত নমস্য ব্যক্তিৰ ছবি সন্নিবিষ্ট কৰিছো। পিছৰ আৱৰণতো একেই আধাৰ গ্ৰহণ কৰা হৈছে।

বিশিষ্ট ব্যক্তিৰ চমু পৰিচয়মূলক পুথি প্ৰণয়নৰ ওপৰতেই প্ৰধানকৈ জোৰ দিছো, সেয়েহে মূল্যায়ন বা ব্যাখ্যা কৰাৰ পৰা বিৰত আছো। লগতে নিৰ্দ্দিষ্ট ব্যক্তিৰ কোনো বিশেষণো আমি নামৰ সৈতে যুক্ত কৰা নাই; যদিও জনপ্ৰিয় উপাধিৰ সম্পৰ্কে লিখনিত প্ৰকাশ কৰাত কাৰ্পন্যও কৰা নাই। সৰু হাতপুথিৰ লেখিয়াকৈ প্ৰকাশৰ সিদ্ধান্ত লোৱাৰ বাবে আমি সম্পাদনাও কৰিবলগীয়া হৈছে। তাৰবাবে ক্লাবে শ্ৰী ৰুবুল শৰ্মাক দায়িত্ব দিয়ে।

সম্পাদনাৰ ক্ষেত্ৰত লোৱা পদ্ধতি হ'ল, যি পুথিৰ পাণ্ডুলিপিৰ কলেৱৰ প্ৰয়োজনতকৈ দীঘল হৈছে তাক চমু কৰিবলৈ চেষ্টা কৰা হৈছে; যদিও লিখকৰ মূল কথা বা গুৰুত্বপূৰ্ণ তথ্য অক্ষত ৰখা হৈছে। একেদৰে চমু হোৱা পাণ্ডুলিপিৰ কলেৱৰ বঢ়োৱা হৈছে। যি সকল বৰেণ্য ব্যক্তি অসমীয়া ক্লাবৰ সৈতে জড়িত আছিল, সেই সকলৰ ক্লাবৰ সৈতে থকা সম্পৰ্ক তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে।

পাণ্ডুলিপি প্ৰস্তুত কৰা ব্যক্তিৰ একাংশ নিয়মীয়া লেখক নহয়। গতিকে আমি সাহিত্যতকৈ নিৰ্দ্দিষ্ট ব্যক্তিৰ ঐতিহাসিক, সামাজিক পৰিসৰত নিজস্ব অবদান, ত্যাগ তথা কৰ্মৰ ওপৰত বিশেষ গুৰুত্ব দিছো। বানান বিভ্ৰাত কমাবলৈ অশেষ চেষ্টা কৰা হৈছে যদিও সফলকাম হ'ব পাৰিছো বুলি দাবী কৰিব নোৱাৰো।

আমি প্ৰকাশিত পুথিৰ অৱিহণা নিৰ্দ্ধাৰণ কৰিছো তথাপিও বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান তথা ব্যক্তিৰ বৰঙণিও আশা কৰিছো। যাতে ধাৰাবাহিক ভাবে এনে পুথি প্ৰকাশ কৰাত অসমীয়া ক্লাব আৰ্থিক দৈন্যত নপৰে।

যি সকলে লিখা প্ৰস্তুত কৰি দি ক্লাবৰ এই মহান কামত সহায় কৰিলে, বেটুপাতৰ প্ৰচ্ছদ আঁকি শ্ৰদ্ধেয় কুমুদ বৰুৱাই যি সহায় কৰিলে, যি সকলে বিভিন্ন তথ্য সৰবৰাহ কৰি সহায়ৰ হাত আগবঢ়ালে সেই সকলোলৈকে অসমীয়া ক্লাৱে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে 'ট্ৰাইকল' প্ৰেছৰ সমূহ কৰ্মীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছো।

অসমীয়া ক্লাবৰ এই মহান উদ্যোগক আগুৱাই নিয়াৰ বাবে সকলোৰে সহায় সহযোগ আৰু দিহা পৰামৰ্শ কামনা কৰো।

**- অসমীয়া ক্লাব, তেজপুৰ**

"বুৰঞ্জীত আমি পঢ়ো কিছুমান ৰজাৰ বীৰত্ব কাহিনী। ৰজা আলেকজেণ্ডাৰ কেতিয়া ওলাল বিশ্ববিজয় কৰিবলৈ, ক'ত ক'ত কোন দিনা যুদ্ধ হৈছিল, তৰোৱালৰ আগৰে বিশ্ববিজয়ী চেংগিজ খাঁই পৃথিবীৰ ইমূৰৰ পৰা সিমূৰলৈকে কেনেকৈ মানুহৰ তেজৰ ঢল আনিছিল, বুৰঞ্জী তাৰে কাহিনী মাথোন। ৰজাৰ কৰৰ বোজা বব নোৱাৰি অশান্তিত দিন নিওঁতা খেতিয়কৰ কৰুণ কাহিনী আমি তাত নাপাওঁ, কলঘৰৰ বাঁহী বজাৰ লগে লগে শোৱা পাটি এৰি দিনৰ দিনটো পৰিশ্ৰম কৰা বনুৱাৰ অন্তৰৰ কথা আমি তাত নাপাওঁ-"

পৃথিৱী গঢ়া খনিকৰসকলৰ কষ্টকৰ জীৱন গাঁথা বুৰঞ্জীত নথকাৰ বেদনাত হৃদয় উথলি উঠা এই দয়াপৰবশ প্ৰাণৰ গৰাকী আছিল ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ নিৰ্ভীক সৈনিক, অসমীয়া সমন্বয়ী সংস্কৃতিৰ বাৰ্তা বিলাওঁতা, সাহিত্য-সংবাদসেৱী লোকনায়ক অমিয় কুমাৰ দাস।

আমাৰ দেশৰ মুক্তি সংগ্ৰামৰ বুৰঞ্জীত শোণিতপুৰ জিলাৰ স্থান অতি উচ্চ। মহাত্মা গান্ধীৰ নেতৃত্বত চলা ১৯২১ চনৰ অসহযোগ আন্দোলন, ১৯৩১ চনৰ আইন অমান্য আন্দোলন আৰু ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত শোণিতপুৰ জিলাৰ নেতৃত্বকাৰী ভূমিকাই ইতিহাস উজলি আছে। ১৯৩১ আৰু ১৯৪২ চনৰ গণ-বিপ্লৱত জিলাখনৰ গহপুৰ, ঢেকিয়াজুলিত যি তেজাল ইতিহাস ৰচিত হৈছিল, সি যুগে যুগে স্বাধীনতাকামী প্ৰাণ উজ্জীৱিত কৰি আহিছে। এই ইতিহাসৰ বুকুৰ এক চিৰ উজ্জল, প্ৰতিভাত নাম লোকনায়ক অমিয় কুমাৰ দাস।

**জন্ম আৰু পৰিবেশ** ঃ লোকনায়ক অমিয় কুমাৰ দাসৰ জন্ম ভাৰতৰ জাতীয় কংগ্ৰেছৰ জন্মৰ দহ বছৰৰ পাছত অৰ্থাৎ ১৮৯৫ চনত। তেখেতৰ জন্মৰ তাৰিখ সম্পৰ্কে নিশ্চিত তথ্য নাই। 'অসমৰ প্ৰয়াত মুক্তি যুঁজাৰুৰ জীৱনীকোষ'ৰ মতে তেখেতৰ জন্ম তাৰিখ ৫ মে', (১৮৯৫)। অমিয় কুমাৰ দাসৰ 'জীৱন স্মৃতি'ৰ মতে, '......মোৰ জন্মৰ তাৰিখ মই সঠিককৈ নাজানো। ......স্কুলত ভৰ্ত্তি হওঁতে মোমাইদেউৱে লিখি দিছিল ২৫ ব'হাগ, ৫মে',



১৮৯৫। অৱশ্যে নিজৰ স্মৃতি শক্তিত অবিশ্বাস নকৰিলেও এই বিষয়ত মই সঠিক বুলি ডাঠি ক'ব নোৱাৰো।' অমিয় কুমাৰৰ দেউতাক ডাঃ উদয়ৰাম দাস আৰু মাতৃ সৰলা দেৱী। উদয়ৰাম দাসে কলিকতাৰ কেম্পবেল মেডিকেল স্কুলৰ পৰা ডাক্তৰী পাছ কৰি আহি গুৱাহাটীতে চিকিৎসা সেৱা আগবঢ়াবলৈ মনস্থ কৰে; কিন্তু কিছুদিনৰ পাছত নগাঁৱৰ কেলিডন চাহবাগিচাত চিকিৎসক হিচাপে সোমায়।

অমিয় কুমাৰৰ মাতৃ সৰলা দেৱী এগৰাকী সহজসৰল, মৰমীয়াল আৰু ৰোগাৰ্তসকলৰ সেৱিকা আছিল। সৰলা দেৱীৰ পিতৃ অৰ্থাৎ অমিয় কুমাৰৰ ককাদেউতাক লক্ষীকান্ত বৰকাকতি এগৰাকী উদাৰচিতীয়া, সাহসী আৰু দৃঢ় মনৰ ব্যক্তি আছিল। জীয়েক সৰলা দেৱীক শিক্ষাৰ্থে কলিকতালৈ সেই সময়ত জাহাজেৰে পঠিয়াইছিল। নাৰী শিক্ষাৰ প্ৰতি লক্ষীকান্ত বৰকাকতিৰ এই আগ্ৰহে নতুন মনৰ পৰিচয় দাঙি ধৰে। লক্ষীকান্ত বৰকাকতিদেৱ ১৮৮২ চনত ৰাইজ আৰু চৰকাৰৰ মাজত যোগসূত্ৰ ৰক্ষাৰ্থে গঠন হোৱা ৰায়ত সভাৰ অন্যতম সংগঠক আছিল। এই 'ৰায়ত সভা'ৰ উদ্যোগত তেজপুৰত 'তেজপুৰ টাউন হ'ল' আৰু 'লাইব্ৰেৰী' স্থাপিত হৈছিল। লক্ষীকান্ত বৰকাকতিয়ে ১৮৮৭ চনত মাদ্ৰাজত অনুষ্ঠিত হোৱা জাতীয় কংগ্ৰেছৰ অধিবেশনত যোগদান কৰি বহল ৰাজনৈতিক মনৰ পৰিচয় দিছিল।

ডাঃ উদয়ৰাম দাসৰ আধুনিক মনৰ পৰিচয় পাই লক্ষীকান্ত কাকতিয়ে জীয়েক সৰলা দেৱীক তেওঁলৈ বিয়া দিয়ে। সৰলা দেৱীয়ে বিয়াৰ পাছত কেলিডন বাগিচাত থাকোতে চিকিৎসা বিষয়ক বিভিন্ন কথা শিকিছিল আৰু লগৰীয়া মহিলাৰ সৈতে বেমাৰী শুশ্ৰূষাৰ কামত নিজকে বিলাই দিছিল। মাতৃ এনে এক শুশ্ৰূষাৰ পৰিবেশত থাকোতেই তেজপুৰত অমিয় কুমাৰৰ জন্ম হয়।

ডাঃ উদয়ৰাম দাস আৰু সৰলা দেৱীৰ ষষ্ঠ সন্তান আছিল অমিয় কুমাৰ দাস। তেখেতৰ তিনিজন ককায়েক আৰু দুগৰাকী বায়েক আছিল। বায়েক দুগৰাকী আৰু দুজন ককায়েক ঢুকাইছিল; আৰু ককায়েক বিনয় কুমাৰ দাসকো তেখেতে হেৰুৱাব লগা হৈছিল। অমিয় কুমাৰ দাসে ডেৰ বছৰ

বয়সত দেউতাকক হেৰুৱাব লগা হয়।

**বৈচিত্ৰময় সোণালী শৈশৱ ঃ**

অমিয় কুমাৰ দাসৰ সোণসেৰীয়া, বিচিত্ৰতাৰে ভৰপূৰ শৈশৱৰ দিনবোৰ অতিবাহিত হয় ককাদেউতাক লক্ষীকান্ত বৰকাকতিৰ বহল চিন্তা-চেতনাৰ পৰিসৰত। লগত বৰকাকতিৰ আপোন বুলিবলৈ পৰিয়ালত থকা পুতেক অৰ্থাৎ অমিয় কুমাৰ দাসৰ মোমায়েক ব্ৰহ্মানন্দ বৰকাকতি। সেয়াও এক কাহিনীৰ দৰে মনোৰম আৰু আদৰ্শমূলক। অমিয় কুমাৰ দাসৰ দেউতাকে বায়েক- ভিনীহিয়েক দুয়ো ঢুকোৱাৰ হেতুকে তেওঁলোকৰ দুজনী ছোৱালী আৰু এটি ল'ৰা নিজৰ লগত আনি ৰাখিছিল। আকৌ দেউতাকে কেলিডন বাগিচাত চাকৰি কৰোঁতে মাক সৰলা দেবীয়ে পিতৃ-মাতৃহীন কেইটিমান বনুৱা ল'ৰা-ছোৱালী লগত আনি ডাঙৰ দীঘল কৰিছিল। দেউতাকৰ তেজপুৰত ঘৰ সাজি নিগাজীকৈ থকাৰ পৰিকল্পনা আছিল। কিন্তু তেখেতৰ আকস্মিক বিয়োগত পৰিয়ালটোলৈ এক আলৈ আহুকালৰ পৰিবেশ নামি আহিল। পৰিয়ালত আৰ্থিক সংকট আছিলেই। দেউতাকৰ মৃত্যু হোৱাৰ পাছত কেউটি ল'ৰা-ছোৱালী লগত লৈ সৰলা দেবী পিতৃ লক্ষীকান্ত বৰকাকতিৰ ঘৰ পালেহি। মাক আৰু ককাকৰ মৰম- অভিভাৱকত্বৰ ছত্ৰছায়া আৰু ঘৰৰ অভাৱ-অভিযোগৰ বাস্তৱ ছবিখন প্ৰত্যক্ষ কৰাৰ মাজেৰে অমিয় কুমাৰ দাসৰ শৈশৱ অতিবাহিত হয়।

স্বাভাৱিকতে অমিয় কুমাৰ দাসৰ মাতৃ সৰলা দেৱীক ঘৰখন চলাই নিয়াৰ ক্ষেত্ৰত চিন্তাই লগ এৰা দিয়া নাছিল। ঘৰখনত উপাৰ্জনক্ষম ব্যক্তি তেতিয়া মাথো ব্ৰহ্মানন্দ বৰকাকতি।অৰ্থৰ বাবেই শিক্ষা আধৰুৱাকৈ এৰি আহিবলৈ বাধ্য হোৱা ব্ৰহ্মানন্দই উপায়ুক্তৰ অফিচত শেষত হেডক্লাৰ্কৰ যি চাকৰি কৰিছিল তাত দৰমহা পাইছিল মাত্ৰ পঁচিশ টকা। দেউতাকৰ ঘৰলৈ আহি এই দীনতাৰ ছবিখন চাই হাত সাৱটি বহি থাকিব নোৱাৰিলে মাক সৰলা দেৱীয়ে। সৰলা দেবীয়ে জামুগুৰি মনাই চাহবাগিচাৰ পৰা এখন কাপোৰ বোৱা উৰণীয়া শাল পাইছিল। ঘৰৰ প্ৰয়োজনীয় কাপোৰ কানি নিজ শালতে বৈ



লোৱা সৰলা দেবীয়ে উৰণীয়া শালখন পাই আৰ্থিক সংকটৰ মাজত জোৱা মাৰিবলৈ যেন সকাহ পালে। দুৰ্গত, ৰোগীসকললৈ সদায় শুশ্ৰূষাৰ হাত আগবঢ়োৱা সৰলা দেবীয়ে সামাজিক কাম-কাজলৈ নিঃস্বাৰ্থভাৱে আগবাঢ়ি গৈছিল।

মাক আৰু ককাকৰ সামাজিক দায়বদ্ধতাৰ ছবিখনে, কেইবাটিও ল'ৰা-ছোৱালী লগে-ভাগে একেলগে ডাঙৰ দীঘল হোৱা সমিলমিলৰ পৰিবেশে শৈশৱতে অমিয় কুমাৰক চিন্তাশীল কৰি তুলিছিল। সৰুতে দেউতাকৰ অভাৱ সততেই অনুভৱ কৰিছিল অমিয় কুমাৰে আৰু মাকে। লক্ষীকান্ত বৰকাকতিক 'দেউতা' বুলি সম্বোধন কৰাত তেওঁও ককাকক 'দেউতা' বুলিবলৈ ধৰিছিল; অৱশ্যে মাকে ততালিকে শুধৰাই দি ককাদেউতা বুলিবলৈ কৈছিল।

ককাদেউতাকৰ দেশজগতৰ প্ৰতি সচেতন, সজ্ঞান ভাবধাৰাই অমিয় কুমাৰৰ - যাৰ ঘৰুৱা নাম আছিল 'ভুলু', শিশু মনটো প্ৰভাৱিত কৰিছিল। মোহন দাস কৰমচাঁদ গান্ধী, দাদাভাই নৌৰাজী, বাল গংগাধৰ তিলক, গোপালকৃষ্ণ গোখলে আদি ব্যক্তিসকলৰ নাম অমিয় কুমাৰে শৈশৱতে শুনিছিল। লগ-সমনীয়াৰ সৈতে মাৰ্বল গুটি খেলি থকা আপোনপাহৰা ক্ষণবোৰতো অমিয় কুমাৰক অন্যান্য সামাজিক কথা বাৰ্ত্তাই আকৰ্ষণ নকৰাকৈ নাথাকিল। এনে এক আপোনপাহৰা ক্ষণতে অমিয় কুমাৰে ককাকৰ মুখত মোহন দাস কৰমচাঁদ গান্ধী' নামটো শুনি পুলকিত হৈ পৰিছিল।

বিভিন্ন কামত তেজপুৰলৈ অহা বৃটিছ চাহাবসকলৰ উপস্থিতি, দোকানে পোহাৰে আলোচনা হোৱা স্বদেশী আন্দোলনৰ কথাবোৰ, ককাদেউতাকে বাতৰি কাকতত পঢ়া দেশ-বিদেশৰ খবৰৰ মাজত অমিয় কুমাৰৰ শিশু মনটোত শৈশৱতে যেন টোকৰ মাৰিছিল দেশপ্ৰেমৰ উষ্ণ আবেদনে।

ওচৰচুবুৰীয়া সকলোৰে মৰমৰ পাত্ৰ আছিল 'ভুলু' অৰ্থাৎ অমিয় কুমাৰ। মাত্ৰ পিতৃহীন হোৱাৰ বেদনাই তেওঁৰ অন্তৰত আঘাত দিছিল। মাক সৰলা দেবীৰ ঘৰুৱা, সামাজিক কামৰ ব্যস্ততাৰ হেতু ভুলুক চোৱাচিতাৰ বাবে

কমেই সময় দিব পাৰিছিল। ডাক্তৰ অতুল চন্দ্ৰ ৰায়ৰ জীয়েক লাৱণ্য দেবীৰ মৰম-আলপৈচানত ডাঙৰ হৈছিল অমিয় কুমাৰ।

স্বাভাৱিকভাবেই, ককাদেউতাক লক্ষীকান্ত বৰকাকতিৰ স্নেহ, আপডাল আৰু তেওঁৰ সৈতে ইঠাই সিঠাই, দোকানে পোহাৰে ঘূৰি ফুৰি অমিয় কুমাৰে দেশ-জগতৰ ঘটনাৰাজিৰ সৈতে পৰিচিত হৈ সোণালী শৈশৱৰ সোণ বুটলিলে।

## শিক্ষা জীৱনৰ অমিয়া মাধুৰী ঃ

স্কুললৈ যোৱাৰ প্ৰাকক্ষণতে 'ভুলু'ৰ স্কুলীয়া নাম ঠিক কৰা হ'ল- অমিয় কুমাৰ। ডাঃ অতুল চন্দ্ৰ ৰায়ে নামটো ঠিক কৰিলে। অমিয় কুমাৰৰ ঘৰৰ কাষতে এখন বঙালী বালিকা বিদ্যালয় আছিল। অভিভাৱকসকলৰ পৰা লাভ কৰা বৰঙণিৰে বিদ্যালয়খন চলাইছিল স্বৰ্ণলতা দত্ত নামৰ মহিলা এগৰাকীয়ে। অমিয় কুমাৰ এই বিদ্যালয়খনত ভৰ্ত্তি হ'ল। বঙালী মাধ্যমৰ বিদ্যালয় যদিও সেই সময়ত তেজপুৰৰ অসমীয়া আৰু বঙালী উভয় ভাষাৰ ল'ৰা-ছোৱালী এইখন বিদ্যালয়তে পঢ়া-শুনা কৰিছিল।

কিন্তু এই বিদ্যালয়ত অমিয় কুমাৰৰ পঢ়া সৰহদিন নিটিকিল। ডক্টৰ বুথ নামৰ এগৰাকী শিক্ষা বিভাগৰ লোক বিদ্যালয় পৰিদৰ্শন কৰিবলৈ আহি বালিকা বিদ্যালয়ত বালক পঢ়াটো বন্ধ কৰিলেহি। গতিকে নিম্ন শ্ৰেণীৰ ল'ৰাবিলাকে স্কুল এৰিব লগা হ'ল। অমিয় কুমাৰেও স্কুল এৰিবলগীয়া হ'ল। মোমায়েকৰ পৰামৰ্শমতে তেওঁ ঘৰতে পঢ়া আৰম্ভ কৰিলে। স্কুলীয়া কিতাপপত্ৰ জেঠায়েকৰ জীয়েক নিৰ্মলা দেবীৰ সহায়ত অমিয় কুমাৰে পঢ়া-শুনা আৰম্ভ কৰিলে। এই ঘৰুৱা শিক্ষাজীৱন অমিয় কুমাৰে বেয়া নাপালে।

১৯০৬ চনত অমিয় কুমাৰে হাইস্কুলত নাম লগায়। সেইসময়ত স্কুলৰ প্ৰধান শিক্ষক আছিল প্ৰসন্ন মুখাৰ্জী। তেখেতে কঠোৰ শাসনৰ মাজত ল'ৰাবিলাকক শিক্ষাদান কৰিছিল। যি কি নহওক, প্ৰধান শিক্ষকৰ কঠোৰ পৰীক্ষাত আত্মবিশ্বাস তথা সাহসেৰে অমিয় কুমাৰ অৱতীৰ্ণ হ'ল আৰু পঞ্চম শ্ৰেণীত ভৰ্ত্তি হ'ল। প্ৰসন্ন মুখাৰ্জী প্ৰধান শিক্ষকৰ আসনত বেছিদিন



নাথাকিল। তেওঁ ডেপুটি ইন্সপেক্টৰ পদলৈ উন্নীত হোৱাত কেশৱ চন্দ্ৰ ফুকন বিদ্যালয়ৰ প্ৰধান শিক্ষক হ'ল।

নতুন স্কুললৈ আহি অমিয় কুমাৰৰ বন্ধুত্ব গঢ়ি উঠে চন্দ্ৰনাথ শৰ্মা আৰু হেমচন্দ্ৰ বৰুৱাৰ সৈতে। দুখীয়া পৰিয়ালৰ সন্তান চন্দ্ৰনাথ শৰ্মা স্কুলৰ বোৰ্ডিঙত থাকি পঢ়িছিল। সকলো বিষয়তে আগৰণুৱা চন্দ্ৰনাথে ছাত্ৰ বৃত্তি পাচ কৰি ইংৰাজী স্কুলৰ তলৰ শ্ৰেণীত ভৰ্ত্তি হৈছিল। অমিয় কুমাৰৰ আনজন বন্ধু হেমচন্দ্ৰ বৰুৱাৰ ঘৰ আছিল নগাঁৱৰ ৰহাত। পিতৃৰ বিয়োগ হোৱাত ককায়েকৰ তত্বাৱধানত তেওঁ তেজপুৰত পঢ়িবলৈ লয়। চন্দ্ৰনাথ আৰু হেমচন্দ্ৰৰ সাহিত্য চৰ্চা আৰু সমাজ সেৱা প্ৰধান কৰ্তব্যৰ দৰে আছিল। বোৰ্ডিঙত চন্দ্ৰনাথহঁতে বিভিন্ন আলোচনী সমিতিৰ সভা অনুষ্ঠিত কৰিছিল আৰু অমিয় কুমাৰেও নিমন্ত্ৰিত হৈ সিবিলাকত অংশগ্ৰহণ কৰিছিল। গোপাল কৃষ্ণ গোখলে, সুৰেন্দ্ৰনাথ বেনাৰ্জী আদিৰ বক্তৃতামালা চন্দ্ৰনাথ শৰ্মা আৰু হেমচন্দ্ৰ বৰুৱাৰ জৰিয়তে অমিয় কুমাৰে প্ৰথম পঢ়িবলৈ পায়। এনেদৰে স্কুলীয়া দিনতে গোখলেৰ মানৱ সেৱাৰ আদৰ্শ, বাল গংগাধৰ তিলক আৰু সুৰেন্দ্ৰ নাথ বেনাৰ্জীৰ অসীম ত্যাগ আৰু সাহসৰ সৈতে অমিয় কুমাৰ জ্ঞাত হয়; আৰু দেশ প্ৰেমৰ চেতনা জাগ্ৰত হোৱাৰ বীজ অংকুৰিত হয়।

কম বয়সতে অমিয় কুমাৰ, হেমচন্দ্ৰ বৰুৱা আৰু অন্য এজন সতীৰ্থ দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্ম্মাই গোটেই জীৱন চিৰকুমাৰ হৈ থাকি মানৱ সেৱা কৰি যোৱাৰ সংকল্প লয়। ইয়াৰ মূলতে আছিল গোখলেৰ 'ফ্ৰেণ্ডচ অৱ ইণ্ডিয়া চচাইটি'ৰ সৈতে সংযোগ স্থাপন। একে অনুপ্ৰেৰণাতে তেওঁলোকে শিক্ষানুষ্ঠানত জাতীয় বীৰ পূজাৰ অংশ হিচাপে পণ্ডিত আনন্দৰাম বৰুৱাৰ তিথি পাতে।

ককাকৰ ছত্ৰছায়াত অমিয় কুমাৰে বহু জ্ঞানী, প্ৰখ্যাত লোকৰ সান্নিধ্য লাভ কৰিছিল। তেনেদৰে কেইজনমান বৃটিছ চাহাবৰ বিষয়েও অমিয় কুমাৰে ককাকৰ মুখত শুনিছিল।এজন হ'ল হেনৰী কটন-যাৰ প্ৰশংসাত ককাক পঞ্চমুখ হৈ পৰিছিল। আন এজন লৰ্ড কাৰ্জন, যাৰ ভাৰতবিৰোধী কৰ্ম-কাণ্ড

ককাকে ভাল নাপাইছিল। অমিয়ই বঙালী ছাত্ৰ-বন্ধু সকলৰ মুখৰ পৰা কাৰ্জনৰ বংগ ভংগৰ ষড়যন্ত্ৰৰ বিষয়ে শুনিছিল।এই ছাত্ৰসকল আছিল তেজপুৰলৈ বদলিহৈ অহা বঙালী চাকৰিয়ালসকলৰ সন্তান। অমিয় কুমাৰে তেওঁলোকৰ মুখত শুনিছিল বংগ ভংগ বিৰোধী আন্দোলনৰ কথা; পাছত গঢ় লৈ উঠা স্বদেশী আন্দোলনৰ কথা। স্বদেশী আন্দোলনৰ প্ৰক্ৰিয়াত ভাৰতীয় ৰাজনীতিত ভুমুকি মৰা সন্ত্ৰাসবাদী চেতনাৰ উকমুকনিয়ে অসমকো স্পৰ্শ নকৰাকৈ নাথাকিল। তেজপুৰতো গুপ্ত সমিতি গঠন, মহাভৈৰৱৰ আওহতীয়া ঠাইত লাঠী-খেল, চুৰি খেল আদিৰ অনুশীলন আৰম্ভ হ'ল। ছাত্ৰাৱস্থাত জাতীয় চেতনাৰে উদ্ধুদ্ধ হোৱা অমিয় কুমাৰে তেজপুৰৰ জাহাজ ঘাটত মটীয়াৰ কাম কৰি জাতীয় পুঁজিলৈ বৰঙণি আগবঢ়াইছিল।

১৯১২ চনত অমিয় কুমাৰে তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাচ কৰে। মোমায়েকৰ ইচ্ছাৰ প্ৰতি সন্মান জনাই অমিয় কুমাৰে বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ত নিজৰ অধ্যয়নৰ হেপাহ এৰি গুৱাহাটীলৈ বুলি জাহাজেৰে ৰাওনা হয়। উদ্দেশ্য কটন কলেজত বি. এ. পঢ়া। তেওঁ কটন কলেজত ভৰ্ত্তি হ'ল হয় কিন্তু হোষ্টেলত আসন পোৱাৰ ক্ষেত্ৰত এচাম ৰক্ষণশীল, গোড়া ছাত্ৰৰ ৰোষত পৰে। অমিয় কুমাৰ ব্ৰাহ্ম সমাজভুক্ত হোৱাৰ বাবে হোষ্টেলত আসন হেৰুৱাব লগা পৰিস্থিতিৰ সৃষ্টি হয়। অৱশেষত তৰুণ ৰাম ফুকন আৰু মাণিকচন্দ্ৰ বৰুৱাৰ হস্তক্ষেপত অমিয় কুমাৰে কলেজ আৰু হোষ্টেলত আসন লাভ কৰিবলৈ সমৰ্থ হয়। কিন্তু অমিয় কুমাৰে কটন কলেজৰ দিনবিলাকত ৰক্ষণশীল, গোড়া ছাত্ৰ সকলৰ পৰা সদায় ইতিকিং ঠাট্টা মস্কৰাৰ মুখামুখি হৈছিল। সেই সময়ত কটন কলেজৰ অধ্যক্ষ আছিল চুদমাৰ্চন চাহাব। প্ৰফুল্লচন্দ্ৰ ৰায়, সত্যনাথ বৰা, বনমালী বেদান্ত তীৰ্থ, পদ্মনাথ বিদ্যা বিনোদ আদি অধ্যাপক সকলক অমিয় কুমাৰে লগ পাইছিল। কিন্তু হোষ্টেলত থাকি পঢ়াৰ ক্ষেত্ৰত অমিয় কুমাৰে পোৱা মানসিক কষ্টই অধ্যয়নত ক্ৰিয়া নকৰাকৈ নাথাকিল। সময়ৰ লেখেৰে অমিয় কুমাৰে কটন কলেজত দুবছৰ পাৰ কৰিলে হয়, কিন্তু আই. এ. পৰীক্ষাত অকৃতকাৰ্য হ'ল। এইবাৰ অমিয় কুমাৰ



কলকাতাৰ চিটি কলেজত ভৰ্ত্তি হ'ল আৰু ব্ৰাহ্ম বয়জ হোষ্টেলত থাকিবলৈ ল'লে। কিন্তু তাত অলপ দিন থকাৰ পাছত তেওঁ আকৌ থকা ঠাই সলনি কৰিবলৈ বাধ্য হ'ল। এইবাৰ মনোযোগেৰে পঢ়া-শুনা কৰি তেওঁ প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল।

স্কটিছ চাৰ্চ কলেজৰ পৰা অমিয় কুমাৰে বি. এ. ডিগ্ৰী লাভ কৰে ১৯১৮ চনত। তেওঁ আইনৰ প্ৰথম দুটা বৰ্ষৰ শিক্ষা সমাপ্ত কৰে। তৃতীয় বাৰ্ষিকত পঢ়াৰ সময়তে দেশত অসহযোগ আন্দোলন আৰম্ভ হয়।

সুদৰ্শন, স্বাস্থ্যবান অমিয় কুমাৰে নিয়মিতভাৱে ব্যায়াম কৰিছিল। পঢ়া-শুনাৰ লগে লগে তবলা আৰু বাঁহী বাদনৰ শিক্ষাও গ্ৰহণ কৰিছিল। অমিয় কুমাৰৰ শিক্ষা গ্ৰহণৰ কালছোৱাত অসমৰ কেইবাগৰাকী বৰেণ্য ব্যক্তি কলকাতাৰ বিভিন্ন কলেজত পঢ়ি আছিল। সেইসকলৰ ভিতৰত বাণীকান্ত কাকতি, কৃষ্ণকান্ত সন্দিকৈ, বেণুধৰ শৰ্মা, দেৱেশ্বৰ শৰ্মা, যতীন্দ্ৰ নাথ দুৱৰা, ডাঃ বংশীধৰ বৰুৱা আদি। যতীন্দ্ৰনাথ দুৱৰাৰ জৰিয়তে অমিয় কুমাৰৰ লক্ষ্মীনাথ বেজবৰুৱাৰ লগত পৰিচয় ঘটে আৰু বেজবৰুৱা সম্পাদিত 'বাঁহী'ৰ কাম কাজতো যুক্ত হৈ পৰে।

**অসম ছাত্ৰ সন্মিলন আৰু অমিয় কুমাৰ ঃ**

অসম ছাত্ৰ সন্মিলন গঠন এক ঐতিহাসিক আৰু গুৰুত্বপূৰ্ণ ঘটনা। ইয়াৰ বীজ অংকুৰণৰ উকমুকনি লাগে কলকাতাতেই। অমিয় কুমাৰ আৰু অসমৰ বহু কেইজন ছাত্ৰ কলকাতাৰ ৪৫ নং হেৰিছন ৰোডত থকা আসাম হাউছত একেলগে আছিল। এই ছাত্ৰসকলে সমগ্ৰ অসমৰ ছাত্ৰৰ বাবে এক উমৈহতীয়া ছাত্ৰ সংগঠন গঢ়ি তোলাৰ কথা চিন্তা কৰি আছিল। অসম তথা কলকাতাত অসমীয়া ছাত্ৰসকল বিভিন্ন ক্লাৱ, একতা সভা আদি জড়িত আছিল। অসমত এক ছাত্ৰ সংগঠন গঢ়ি তোলাৰ বাবে চন্দ্ৰনাথ শৰ্ম্মাই বিভিন্ন চিঠি পত্ৰ আদি লিখি অমিয় কুমাৰ আৰু লগৰীয়া সকলক উৎসাহ জনাই আহিছিল। ইতিমধ্যে কলকাতা, বিহাৰ আদিত ছাত্ৰ সংগঠন গঢ় লৈ উঠিছিল। ইও প্ৰত্যক্ষভাৱে অসমৰ ছাত্ৰ সমাজক উৎসাহিত কৰি আহিছিল। এই

উৎসাহৰ পৰিণতিতে 'অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন' গঠন হয়। ইয়েই পাছলৈ 'অসম ছাত্ৰ সন্মিলন ৰূপে পৰিচিত হয়।

১৯১৬ চনত গুৱাহাটীত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সভাপতিত্বত 'অসম ছাত্ৰ সন্মিলন'ৰ প্ৰথমখন সভা অনুষ্ঠিত হয়। ১৯১৬ চনৰ ২৫-২৬ ডিচেম্বৰত অনুষ্ঠিত হোৱা সভাত অসম ছাত্ৰ সন্মিলনৰ এখন নিয়মাৱলীও প্ৰস্তুত কৰা হয়। বংগৰ স্বদেশী আন্দোলন, ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত সেইসময়ত হৈ থকা স্বায়ত্ব শাসনৰ আন্দোলন, জাতীয়তাবাদী আন্দোলন তথা বিশ্বৰ অন্যান্য আন্দোলনসমূহে সততে অসমৰ ছাত্ৰ সকলক উৎসাহিত কৰি আহিছিল। সৰ্বভাৰতীয় পৰ্যায়ত যি সময়ত ছাত্ৰ সমাজে কোনো ধৰণৰ ছাত্ৰ আন্দোলনৰ প্ৰক্ৰিয়াত যুক্ত হ'ব পৰা নাছিল, তেনে এটা সময়ত অসম ছাত্ৰ সন্মিলনে অৰাজনৈতিক ভূমিকাৰে জনসেৱাৰ মানসেৰে এই মঞ্চ তৈয়াৰ কৰিছিল। কিন্তু দেশত মুক্তি আন্দোলনৰ পৰিবেশ আৰু ডেকা শক্তিৰ দায়বদ্ধতাই অচিৰেই ছাত্ৰ সমাজক স্বাধীনতাৰ সংগ্ৰামে উদ্ধুদ্ধ কৰি তুলিলে। চন্দ্ৰনাথ শৰ্মা, হেমচন্দ্ৰ বৰুৱা, অমিয় কুমাৰ দাস, পদ্মধৰ চলিহা আদি ছাত্ৰ সংগঠকসকল ছাত্ৰনেতা হিচাবে জিলিকি উঠিল। ১৯১৮ চনত ডিব্ৰুগড়ত অসম ছাত্ৰ সন্মিলনৰ তৃতীয় অধিবেশন অনুষ্ঠিত হয় আৰু অমিয় কুমাৰ সম্পাদক নিৰ্বাচিত হয়। দেশৰ মুক্তি সংগ্ৰামত অংশগ্ৰহণ কৰিবৰ বাবে ছাত্ৰ সমাজলৈ সন্মিলনে যেন এক পৰিধি তৈয়াৰ কৰিলে। অসম ছাত্ৰ সন্মিলনৰ প্ৰথম অধিবেশনত চন্দ্ৰনাথ শৰ্মাই সম্পাদকীয় প্ৰতিবেদনত কৈছিল - '.... জগতৰ বহুত সৎ কাৰ্যৰ মূলত আন্দোলন । .... অসমৰ ইমূৰৰ পৰা সিমূৰলৈ এটি তোলপাৰ লগাই দিব লগা হৈছে। জয় ঘণ্টা বজাই অসমীয়া মানুহৰ টোপনি ভাঙি দিবৰ সময় হৈছে।....' অসমৰ ছাত্ৰ সমাজৰ এই সজাগতাৰ নিদৰ্শন ৰূপেই বহু কেইজন ছাত্ৰ নেতা জাতীয় আন্দোলনবিলাকত সক্ৰিয় অংশ গ্ৰহণেৰে জিলিকি উঠিল।

১৯১৯ চনত তেজপুৰত 'অসম ছাত্ৰ সন্মিলন'ৰ চতুৰ্থ অধিবেশন অনুষ্ঠিত হয়। এই অধিবেশনৰ আদৰণি সমিতিৰ সাধাৰণ সম্পাদক আছিল



অমিয় কুমাৰ দাস। এই অধিবেশনত পৌৰহিত্য কৰিছিল প্ৰখ্যাত ৰসায়নবিদ তথা জাতীয় ভাবাপন্ন ব্যক্তি আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়ে। উল্লেখ কৰিব লাগিব অসম ছাত্ৰ সন্মিলনৰ উদ্যোক্তা ছাত্ৰসকলে নবীন চন্দ্ৰ বৰদলৈ, তৰুণ ৰাম ফুকন, আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়, ৰেভাৰেণ্ড চি, এফ, এন্দ্ৰুজ, কৃষ্ণকান্ত সন্দিকৈ, পদ্মনাথ গোহাঞি বৰুৱা আদি জননেতা, পণ্ডিত ব্যক্তিৰ সান্নিধ্যৰ প্ৰেৰণা লাভ কৰিবলৈ সমৰ্থ হৈছিল। তেজপুৰৰ অধিবেশনতে স্বদেশী বস্তু গ্ৰহণ আৰু বিদেশী বস্তু বৰ্জনৰ সম্পৰ্কত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। কংগ্ৰেছে ঠিক এবছৰৰ পাছতহে এই সম্পৰ্কীয় প্ৰস্তাৱ গ্ৰহণ কৰিছিল। আদৰণী সমিতিৰ সম্পাদক অমিয় কুমাৰ দাসে চৰকাৰী সাহায্য বিচৰা, দাবী পূৰণাৰ্থে আশাৰে বাট চোৱা ইত্যাদিতকৈ ছাত্ৰ সমাজক আত্মনিৰ্ভৰশীল হ'বলৈ আহ্বান জনাইছিল।

নিজৰ ভাষণত অমিয় কুমাৰ দাসে কৈছিল - 'শোণিতপুৰৰ আগৰ অৱস্থা নাই ....... যি ঠাই পূৰ্বে দুৰ্জয়পুৰ নাম লৈ মহা সমৃদ্ধিশালী নগৰ আছিল, যি ঠাইৰ অতীত গৌৰৱৰ কথা নানা কাৰোকাৰ্যখচিত প্ৰস্তৰ ধ্বংসাৱশেষবিলাকে আজিও আমাক সোঁৱৰাই দিছে, যি ঠাইৰ মানুহে এদিনাখন সভ্যতাৰ উচ্চ সোপানত ভৰি দিছিল, সেই ঠাইত আজি অৰ্দ্ধমৃত জাতিয়ে অজ্ঞানতাৰ আন্ধাৰত অচেতন হৈ নিদ্ৰা গৈছে। চাৰিওফালে এতিয়া দেখিছো নৈৰাশ্য আৰু সম্পূৰ্ণ উদ্যমহীনতা ..... আজি আমি অতি সামান্যভাৱে ইয়াত মাতৃপূজাৰ উদ্বোধনহে পাতিছো মাথোন। মাতৃপূজাৰ ভাব আমাৰ অন্তৰত যেন চিৰন্তৰ হয়, আমাৰ প্ৰাণৰ লগত ই যেন ঘনিষ্ঠভাবে সংবদ্ধ থাকে।

পুনৰ - '..... স্বদেশ আৰু সমাজসেৱা কৰিবলৈ হ'লে আমাৰ সমাজত কিনো ব্যাধি হৈছে, খুঁত বা দোষ ঠিক কোনখিনিত আছে তাক ভালকৈ পৰ্যালোচনা কৰি আৰু আৰোগ্যৰ উপায় চিন্তিহে কাৰ্যক্ষেত্ৰত নামিব লাগিব।'

শেষত '..... কোনো জাতিক অইন জাতিয়ে উন্নত কৰি দিব নোৱাৰে। আচল চেষ্টা নিজৰ পৰাই হ'ব লাগিব। ...... দেশৰ সকলো শ্ৰেণীৰ মাজত আত্মোন্নতিৰ চেষ্টা নজন্মিলে জাতীয় উন্নতি হ'ব নোৱাৰে। ........ দেশৰ

সকলো শ্ৰেণীৰ মানুহৰ মাজত উন্নতিৰ আকাংক্ষা হ'ব লাগিব। ..... দেশত আত্মবোধ উদ্গাব নোৱাৰিলে কেতিয়াও আমি উদ্দেশ্যত সফলকাম হ'ব নোৱাৰো।'

'অসম ছাত্ৰ সন্মিলন'ৰ সৈতে অসমৰ ৰাজনৈতিক ইতিহাসত স্মৰণীয় হৈ ৰোৱা আনটো অনুষ্ঠান হ'ল 'অসম এচ'চিয়েচন'। ১৯০৩ চনৰ পৰা ১৯২১ চনলৈকে ৰাজনৈতিক প্ৰধান কেন্দ্ৰ ৰূপে কাম কৰা এই অনুষ্ঠানৰ মূল সংগঠক আছিল মাণিক চন্দ্ৰ বৰুৱা, ঘনশ্যাম বৰুৱা আৰু জগন্নাথ বৰুৱা।

১৯১৯ চনত দেশত ৰাওলাট আইন ঘোষণা হোৱাৰ লগে লগে প্ৰতিবাদৰ জোৱাৰ নামে। 'ডিফেন্স ইণ্ডিয়া এক্ট এণ্ড ৰুলচ'ক ভাৰতত স্থায়ীভাৱে পুনৰ প্ৰৱৰ্তন কৰা আৰু ভাৰতৰ দণ্ডবিধি আইনত এক পৰিৱৰ্তন আনি বিনা বিচাৰে ভাৰতীয় মানুহক বন্দী কৰাৰ ক্ষমতা, বাতৰি কাকতৰ স্বাধীনতা হৰণ তথা বাক স্বাধীনতাত হস্তক্ষেপ ইত্যাদি ৰাওলাট আইনে অনা বিষয়বোৰত জনগণ ক্ষোভত জাগি উঠিল। ১৯১৯ চনত লালা লাজপট ৰায়ৰ সভাপতিত্বত কলিকতাত অনুষ্ঠিত হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছৰ বিশেষ অধিবেশনে বৃটিছৰ বিৰুদ্ধে অসহযোগ আন্দোলনৰ সিদ্ধান্ত লয় আৰু নাগপুৰৰ পৰৱৰ্তী অধিবেশনত ই গৃহীত হয়। নাগপুৰ অধিবেশনত অসমৰ পৰা নবীন চন্দ্ৰ বৰদলৈয়ে অংশগ্ৰহণ কৰিছিল। ১৯২০ চনৰ ১১ অক্টোবৰত গুৱাহাটীত অসহযোগ আন্দোলনৰ সিদ্ধান্ত সম্পৰ্কে আলোচনা হয় আৰু আন্দোলনৰ প্ৰস্তাৱটোৱে অনুমোদন লাভ কৰে। অন্যান্য ঠাইতো অসহযোগ আন্দোলনৰ সম্পৰ্কত আলোচনা হয় আৰু সিদ্ধান্ত গৃহীত হয়। তেজপুৰত ১৯২০ চনৰ ডিচেম্বৰত প্ৰসন্ন কুমাৰ বৰুৱাৰ সভাপতিত্বত হোৱা পূৰ্ণাংগ অধিবেশনত প্ৰস্তাৱটোৱে অনুমোদন লাভ কৰে।

১৯২১ চনত 'আসাম এচ'চিয়েচন'ক নিষ্ক্ৰিয়তাৰ সোঁতত এৰি দি প্ৰাদেশিক কংগ্ৰেছ কমিটি গঠন কৰা হয়।

১৯১৯ চনতে অসম ছাত্ৰ সন্মিলনৰ মজিয়াৰ পৰা অমিয় কুমাৰে ছাত্ৰ সমাজক আত্মনিৰ্ভৰশীল হ'বলৈ কৰা আহ্বান আৰু দেশ সেৱাৰ প্ৰচাৰ কাৰ্যত



যুক্ত হ'বলৈ কৰা আহ্বান যেন অসহযোগ আন্দোলনৰ প্ৰক্ৰিয়াৰ সৈতে মিলি গ'ল। নাগপুৰ অধিবেশনৰ অসহযোগৰ সংজ্ঞা মৰ্মে উকীলসকলক চাকৰিৰ পৰা সাময়িকভাবে আঁতৰি অসহযোগ আন্দোলনত একত্ৰিত হ'বলৈ আহ্বান জনোৱা হ'ল। স্কুল, কলেজ বাদ দি ষোল্লবছৰৰ ওপৰৰ ছাত্ৰ-ছাত্ৰীক আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হ'ল। গোপীনাথ বৰদলৈ, নবীন চন্দ্ৰ বৰদলৈ, বিষ্ণুৰাম মেধি, ৰোহিনী চৌধুৰী, চন্দ্ৰনাথ শৰ্মা, অক্ষয় কুমাৰ দাস, যোগেন্দ্ৰনাথ বৰুৱা আদি উকীলে উকালতি সামৰি আন্দোলনৰ শাৰীত থিয় দিলে। সেইসময়ত আইনৰ তৃতীয় বৰ্ষৰ ছাত্ৰ অমিয় কুমাৰেও অসহযোগৰ আহ্বান পাই আন্দোলনত জপিয়াই পৰিল। এই সময়তে অমিয় কুমাৰে, সত্যাগ্ৰহৰ অন্তৰ্নিহিত বিষয়বস্তু জনাৰ বাবে 'Passive Resistence' আৰু 'Ethics of Satyagraha' নামৰ দুখন গ্ৰন্থ অধ্যয়ন কৰে। কিন্তু অমিয় কুমাৰক বাস্তৱতে অসহযোগৰ প্ৰতিৰোধ চেতনাই উজ্জীৱিত কৰি তুলিছিল। অসহযোগ আন্দোলনৰ সূচীত ইংৰাজে ধ্বংস কৰা কুটীৰ শিল্প, কানি, ভাং, মদে সৃষ্টি কৰা অসমীয়া ৰাইজৰ বিধ্বংসী জীৱন আদি বিষয়বোৰো সোমাই পৰিল।

ইতিমধ্যে কলিকতাৰ গৰিষ্ঠ সংখ্যক ছাত্ৰই স্কুল-কলেজ বাদ দি আন্দোলনত জপিয়াই পৰিল। অসমৰ যি সকল ছাত্ৰ কলিকতাত পঢ়ি আছিল লক্ষ্মীধৰ শৰ্মা, হেমচন্দ্ৰ হাজৰিকা, প্ৰফুল্ল চন্দ্ৰ বৰুৱা, উমেশচন্দ্ৰ বৰদলৈ আদি ছাত্ৰসকল মাতৃভূমি অসম পালেহি। হেমচন্দ্ৰ বৰুৱা, অমিয় কুমাৰ , চন্দ্ৰ নাথ শৰ্মাই কটনৰ ছাত্ৰাবাসত গৈ অসহযোগ আন্দোলনত যোগ দিবলৈ অনুৰোধ কৰে। এনে এক সময়তে কিছু সংখ্যক তেজপুৰৰ ছাত্ৰই অধ্যক্ষক চিঠিৰে জনাই কলেজ এৰি ঘৰ পালেহি। অসহযোগৰ বাবে ছাত্ৰসকলক সংগঠিত কৰি থকাৰ সময়তে অমিয় কুমাৰে এক মৰ্মান্তিক আঘাত পায়। কলাজ্বৰত আক্ৰান্ত হৈ তেওঁৰ ককায়েক বিনয় কুমাৰে ইহ সংসাৰ ত্যাগ কৰে।

তেজপুৰত জ্যোতিপ্ৰসাদ আগৰৱালা, নিত্যানন্দ বৰদলৈ, গুনাভি শৰ্মা আদিকে মুখ্য কৰি চল্লিশজন ছাত্ৰই স্কুল এৰি আন্দোলনত নামে। তেজপুৰৰ

ছাত্ৰসকলৰ প্ৰেৰণাতে কটন কলেজ আৰু অসমৰ বহু স্কুল-কলেজৰ ছাত্ৰ শিক্ষা সামৰি ৰাজপথত থিয় দিলে। তেজপুৰৰ বহু ছাত্ৰই শিক্ষানুষ্ঠান ত্যাগ কৰাত অভিভাৱক সকলৰ তিৰস্কাৰৰো মুখামুখি হ'ল। এইসকলৰ বাবে চন্দ্ৰনাথ শৰ্মা আৰু অমিয় কুমাৰ আদি ছাত্ৰসকলে হজৰা পুখুৰীৰ ওচৰত ঘৰ ভাড়া কৰি ৰাখি স্কুলৰ ব্যৱস্থা কৰিলে। শিক্ষকতাৰ দায়িত্ব ল'লে অমিয় কুমাৰ দাস, হেমচন্দ্ৰ বৰুৱা, লক্ষ্মীধৰ শৰ্মা, হেম হাজৰিকা, তিলক শৰ্মা, কুমুদ শৰ্মা, সোণাৰাম পটংগীয়া, নবীন ভট্টাচাৰ্য আদিয়ে। বুৰঞ্জী, অৰ্থনীতি, বৃটিছ সাম্ৰাজ্যবাদ আদিৰ ওপৰত শিক্ষকসকলে শিক্ষাদান কৰিছিল আৰু অসহযোগ আন্দোলনৰ প্ৰচাৰ, ৰাগিয়াল দ্ৰব্য বৰ্জনৰ সম্পৰ্কতো তেওঁলোকে ছাত্ৰসকলক শিক্ষাদান কৰিছিল।

সন্দেহ নাই, ছাত্ৰসকলেহে দেশত অসহযোগ আন্দোলনৰ চেতনা জাগ্ৰত কৰিলে। ছাত্ৰসকলৰ এই ভূমিকা ভাৰত বুৰঞ্জীত সদায় লিখা ৰ'ব। উল্লেখনীয় দিশটো হ'ল যে, ছাত্ৰ সকলৰ লগতে বহুসংখ্যক মহিলাই সামাজিক সংস্কাৰ, বাধা নেওচি আন্দোলনত অংশগ্ৰহণ কৰিলে। অসহযোগৰ অংশ হিচাবে বিদেশী বস্ত্ৰ, দ্ৰব্য বৰ্জন, স্বদেশী সামগ্ৰী গ্ৰহণ আৰু খদ্দৰ বস্ত্ৰৰ প্ৰসাৰ, বিদেশী শিক্ষানুষ্ঠানৰ সমুখত পিকেটিং কৰা আদি বিষয় সামৰি লোৱা হৈছিল।

১৯২১ চনত মহাত্মা গান্ধী অসমলৈ আহে। গান্ধীৰ আগমণে ব্ৰহ্মপুত্ৰ আৰু বৰাক দুয়ো উপত্যকাতে ৰাইজৰ মাজত আন্দোলনৰ প্ৰেৰণা বোৱাই আনে। সমগ্ৰ অসমৰ হাজাৰ হাজাৰ লোকে আহি গান্ধীৰ সভাবিলাকত ভাগ লৈছিলহি। দ'ম দ'ম বিদেশী বস্ত্ৰ অগ্নিত জাহ গৈছিল। অসমীয়া শিপিনীয়ে তাঁতশালত বৈ উলিওৱা ফুল জালিৰে কাপোৰৰ শুৱনি ৰূপত অতীব মোহিত হৈছিল গান্ধীজী আৰু পাছত তেখেতে নিজে 'ইয়ং ইণ্ডিয়া' কাকতত অসমীয়া নাৰীৰ বোৱন শিল্পৰ সম্পৰ্কত উচ্চ মন্তব্য কৰি লেখনি প্ৰকাশ কৰিছিল।

সমসাময়িক ভাবে, 'ইয়ং ইণ্ডিয়া'ত এটা লিথ' যন্ত্ৰৰ সম্পৰ্কতো প্ৰশংসামূলক বাতৰি প্ৰকাশ পাইছিল; সেয়া ১৯২১ চনৰ কথা। অমিয় কুমাৰ



দাসে আন্দোলনৰ বা-বাতৰি প্ৰচাৰ কৰিবৰ কাৰণে এটা লিথ' গ্ৰাফ যন্ত্ৰ ব্যৱহাৰ কৰিছিল। সেই সময়ত ইয়াৰ ব্যৱহাৰ আছিল এক নতুন কথা। অমিয় কুমাৰ দাসে লিথ' যন্ত্ৰটোৰ সহায়ত 'নিউজ বুলেটিন' উলিয়াই প্ৰচাৰ কাৰ্যত আত্মনিয়োগ কৰিছিল। 'ইয়ং ইণ্ডিয়া'ত এই সম্পৰ্কে প্ৰশংসামূলক বাতৰি প্ৰকাশ পাইছিল। অমিয় কুমাৰে লিথ' গ্ৰাফটো পুলিচে জব্দ কৰাৰ আশংকাত লুকুৱাই, ঠাই সলনি কৰি ৰাখিব লগাত পৰিছিল। এই লিথ' পদ্ধতি অমিয় কুমাৰে অন্য ভাষালৈ সম্প্ৰসাৰিত কৰিছিল।

১৯২৬ চনত অসমৰ পাণ্ডুত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশন অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি চলোৱা হয়। এই অধিবেশনত অতিথি শুশ্ৰূষাৰ দায়িত্ব লৈছিল অমিয় কুমাৰে। এই একে সময়তে তেখেতে 'সাপ্তাহিক অসমীয়া' কাকতৰ সম্পাদনা, বিতৰণ আৰু বিক্ৰী সকলো দায়িত্ব মূৰ পাতি লৈছিল। ১৯২৯ চনৰ লাহোৰ অধিবেশনত ভাৰতবৰ্ষৰ পূৰ্ণ স্বাধীনতা মুক্তি আন্দোলনৰ একমাত্ৰ লক্ষ্য হিচাবে গ্ৰহণ কৰা হয় আৰু ১৯৩০ চনৰ ২৬ জানুৱাৰীত স্বতঃস্ফূৰ্তভাবে স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়।

১৯৩০ৰ দেশৰ মুক্তি আন্দোলনৰ লক্ষ্যত সমগ্ৰ ভাৰতবৰ্ষ জুৰি যি জনজাগৰণৰ জন্ম হয়, তাত অসমকে ধৰি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত প্ৰধানকৈ ছাত্ৰসকলেই অংশগ্ৰহণ কৰে। ১৯৩০-৩২ চনৰ আন্দোলন বুৰঞ্জীত আইন অমান্য আন্দোলন ৰূপে বৰ্ণিত হৈ আহিছে। বিদেশী সামগ্ৰী বৰ্জন, খদ্দৰৰ প্ৰসাৰ, মাতৃভাষা তথা কুটীৰ শিল্পৰ পুনৰুজ্জীৱিতকৰণ আদি কাৰ্যসূচীত স্কুল, কলেজ বৰ্জন কৰি অগণন ছাত্ৰই অংশগ্ৰহণ কৰালৈ চাই অসমৰ শিক্ষাধিকাৰ মিঃ কানিংহামে এক নিৰ্দেশনা জাৰি কৰে। কানিংহামে এই নিৰ্দেশনা জাৰি কৰিছিল যে, ছাত্ৰসকল আৰু অভিভাৱকসকলে এক শপতনামাত স্বাক্ষৰ কৰিব লাগিব আৰু তাত ছাত্ৰসকলে কোনো ধৰণৰ প্ৰতিবাদী কাৰ্যসূচী, হৰতাল, পিকেটিং বা ৰাজনৈতিক সভা-সমিতি নকৰো বুলি লিখিতভাবে দাখিল কৰিব লাগিব। স্কুল কৰ্তৃপক্ষ বা শিক্ষাবিভাগে এই নিৰ্দেশনা মানি চলিব লাগিব। আইন অমান্য আন্দোলনৰ কাৰ্যসূচী আৰম্ভ হোৱাৰ লগে লগে

ছাত্ৰ সমাজ বিক্ষোভ কাৰ্যসূচীত নামি পৰিল।কানিংহাম চাৰ্কুলাৰৰ নিৰ্দেশনা অমান্য কৰি আত্ম সন্মান আৰু জাতীয় মৰ্যাদাৰে সচেতন ছাত্ৰসমাজে অধিক সাহসেৰে আন্দোলনৰ কাৰ্যসূচীত ভাগ ল'লে। চৰকাৰী নিৰ্দেশনাক আঁতৰাই চৰকাৰৰ নিয়ন্ত্ৰণ বহিৰ্ভূত হোৱাকৈ বৰপেটা, তেজপুৰ, ডিব্ৰুগড়ত কামৰূপ একাডেমীৰ দৰে স্কুল গঢ়ি তোলা হ'ল। এই ছাত্ৰ আন্দোলনক নেতৃত্ব দিয়া সকলৰ অন্যতম আছিল অমিয় কুমাৰ দাস আৰু হেমচন্দ্ৰ বৰুৱা আছিল। অসংখ্য ছাত্ৰ এই আন্দোলনত অংশগ্ৰহণ কৰি জেল-জৰিমনা ভৰিব লগা হ'ল। অমিয় কুমাৰো এই আন্দোলনত গ্ৰেপ্তাৰ বৰণ কৰি ৬ মাহৰ কাৰাবাস খাটিলে। ১৯২১ চনৰ দৰে ১৯৩০-৩১ৰ আন্দোলনত ছাত্ৰ সমাজৰ ব্যাপক অংশগ্ৰহণে ইতিহাস ৰচিলে। ১৯৩০-৩১ চনৰ আন্দোলনক সেইবাবে ছাত্ৰ আন্দোলনো বুলিব পাৰি।

**অমিয় কুমাৰ দাসৰ ৰাজনৈতিক জীৱন আৰু স্বাধীনতা আন্দোলন ঃ**

অমিয় কুমাৰ দাসৰ ৰাজনৈতিক জীৱন আৰু স্বাধীনতা আন্দোলনক অসম ছাত্ৰ সন্মিলনৰ কাৰ্যসূচীৰ পৰা নিলগাই চাব নোৱাৰি; বৰঞ্চ প্ৰত্যেকেই প্ৰত্যেকৰ পৰিপূৰক। অসম ছাত্ৰ সন্মিলনৰ গুৱাহাটী অধিবেশনত সভাপতি নিৰ্বাচিত হৈ যি বক্তব্য দাঙি ধৰিছিল সেয়া পৰিণত ৰাজনৈতিক সচেতনতাৰ স্বাক্ষৰ। অমিয় কুমাৰে কৈছিল- 'কানিংহাম চাহাব বৃটিছ সাম্ৰাজ্যবাদৰ পুতলা। তেওঁৰ বিৰুদ্ধে ছাত্ৰৰ সংগ্ৰাম নহয়। ছাত্ৰসকলৰ সংগ্ৰাম হ'ব লাগিব বৃটিছ সাম্ৰাজ্যবাদক ভাৰতৰ পৰা আঁতৰাবৰ কাৰণে। যেতিয়ালৈকে ভাৰতবৰ্ষৰ পৰা বৃটিছ সাম্ৰাজ্যবাদৰ উচ্ছেদ সাধন নহয়, তেতিয়ালৈকে এক কানিংহাম নহয়, হেজাৰ হেজাৰ কানিংহামৰ সৃষ্টি হ'ব। গতিকে ছাত্ৰসকলৰ মূল মন্ত্ৰ হ'ব লাগিব সাম্ৰাজ্যবাদৰ সম্পূৰ্ণ উচ্ছেদ সাধন।'

১৯৩০ চনত লোণ-আইন অমান্য আন্দোলন আৰম্ভ হয় আৰু মহাত্মা গান্ধীয়ে দাণ্ডি যাত্ৰা কৰে। এই যাত্ৰাত গান্ধীজীয়ে গ্ৰেপ্তাৰ বৰণ কৰিবলগীয়া হৈছিল। অসমত এই আন্দোলনৰ নিৰ্ভীক নেতৃত্ব প্ৰদান কৰিছিল অসম ছাত্ৰ সন্মিলনৰ মজিয়াৰ পৰা অমিয় কুমাৰে। স্বাভাৱিকভাবেই ছাত্ৰ আন্দোলন



আৰু আইন অমান্য আন্দোলনৰ মাজত পাৰ্থক্য নোহোৱা হৈ পৰিল আৰু সহস্ৰাধিক ছাত্ৰ, ৰাইজে আন্দোলনত অংশ লৈ গ্ৰেপ্তাৰ বৰণ কৰিলে, কাৰাবাস খাটিলে।

১৯৩১ চনৰ ৪ মাৰ্চত গান্ধী আৰউইন চুক্তি হয়। চুক্তি মৰ্মে বহু কাৰাবন্দীয়ে মুক্তি লাভ কৰিলে। কিন্তু ভগত সিং, সুখদেও আৰু ৰাজগুৰুক প্ৰাণদণ্ড দিয়াৰ বিক্ষোভে আকৌ ৰাইজক উত্ৰাবল কৰিলে। অসমতো তাৰ প্ৰতিক্ৰিয়া প্ৰকাশ পালে। দৰং জিলাৰ গমিৰিত অনুষ্ঠিত হোৱা ৰায়ত সভাত লক্ষ্মীধৰ শৰ্মা, মহাদেৱ শৰ্মা আদি মুক্তি সংগ্ৰামীয়ে তিনি শ্বহীদৰ সপক্ষে বক্তব্য প্ৰদান কৰিলে।

১৯৩২ চনৰ ১৩ এপ্ৰিলৰ দিনটো জালিৱানৱালাবাগ দিন হিচাপে দেশত পালন কৰিববৈলে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। অসমতো এই উপলক্ষে আয়োজন কৰা হয়। কাৰ্যসূচী ৰূপায়ণৰ বাবে প্ৰদেশ কংগ্ৰেছৰ সভাপতি বিষ্ণুৰাম মেধি, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আহি সমদলত আহি চামিল হৈছিলহি। কিন্তু পুলিচ আহি দিন উদ্‌যাপনৰ সকলো প্ৰস্তুতি খেলি মেলি কৰাৰ লগতে গ্ৰেপ্তাৰৰ বজাৰ মেলে। এই কাৰ্যসূচী ৰূপায়ণৰ বাবে বীৰত্বপূৰ্ণ ভূমিকা পালন কৰা অমিয় কুমাৰকে ধৰি কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, বিষ্ণুৰাম মেধি, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, সিদ্ধিনাথ শৰ্মা আদিকে মুখ্য কৰি প্ৰায় ত্ৰিশজন কৰ্মীক ১৪৪ ধাৰাৰ অধীনত গ্ৰেপ্তাৰ কৰে।

১৯৩৩ চনত কলিকতাত সৰ্বভাৰতীয় কংগ্ৰেছ অধিবেশন অনুষ্ঠিত হয়। নিষেধাজ্ঞাক নেওচা দি অমিয় কুমাৰ দাস, বিষ্ণুৰাম মেধিয়ে এই অধিবেশনলৈ যায় আৰু গ্ৰেপ্তাৰ বৰণ কৰে।

চৰকাৰী প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈকে ২৬ জানুৱাৰী দিনটো বিস্তৃত কাৰ্যসূচীৰে পালন কৰাৰ সিদ্ধান্ত লৈ অমিয় কুমাৰ সমগ্ৰ অসম পৰিভ্ৰমণ কৰে। তেজপুৰত জ্যোতিপ্ৰসাদক লগত লৈ অমিয় কুমাৰে গমিৰি, নিকামূল সত্ৰ আদিত ৰাইজক সংগঠিত কৰে। জ্যোতিপ্ৰসাদে দেশাত্মমূলক গীতেৰে ভলন্টিয়াৰসকলৰ সমাবেশ উজ্জীৱিত কৰি তুলিছিল। ২৬ জানুৱাৰী তাৰিখে

তেজপুৰৰ পল'ফিল্ডত অমিয়কুমাৰ দাসে পতাকা উত্তোলন কৰে। নিকামূল সত্ৰৰ সত্ৰাধিকাৰ গহনচন্দ্ৰ গোস্বামী, জিলাধিনায়ক জ্যোতিপ্ৰসাদ আৰু অমিয় কুমাৰ দাস সমুখত থাকি এই উপলক্ষে আয়োজিত সমদলক নেতৃত্ব দিয়ে। এই সমদলত পতাকাধাৰী আছিল ফণীধৰ দাস আৰু হেমোৰাম হাজৰিকা। সমদলত এই সকলৰ পাছতে থিয় দিছিল ক্ৰমে গহন চন্দ্ৰ গোস্বামীৰ পত্নী, অসম সেৱাদলৰ সেৱকসকল আৰু গাঁৱৰ ৰাইজ। জ্যোতিপ্ৰসাদৰ 'বিশ্ব বিজয়ী ন-জোৱান' গীতটি সকলোৱে উদত্তে কণ্ঠে গাই গাই সমদল আগবাঢ়িছিল আৰু জ্যোতি প্ৰসাদৰ মাতৃদেবীয়ে সমদলটি চাবলৈ ঘৰৰ সমুখলৈ ওলাই আহিছিল। ৰাইজৰ সাহস, স্বাধীনতা স্পৃহাৰ সমুখত পুলিচ বাহিনীৰ নিষেধাজ্ঞা, অৰশ্যেন্তাৰী লাঠীচাৰ্জৰ আশংকাই হাৰ মানিছিল।

১৯৩০ ৰ পৰা ১৯৩৪ চনলৈ অসমত মাদক দ্ৰব্য নিবাৰণী অভিযানে স্বাধীনতা আন্দোলনৰ লগে লগে তীব্ৰতৰ ৰূপ ধাৰণ কৰে। অসম সেৱা দলৰ সেৱক-সেৱিকাসকল এই অভিযানত জপিয়াই পৰিছিল আৰু গ্ৰেপ্তাৰ বৰণ কৰিছিল। প্ৰথম অবৈতনিক মাদক দ্ৰব্য নিবাৰণ আয়ুক্ত অমিয় কুমাৰ দাসদেৱে এই সম্পৰ্কীয় আঁচনি যুগুত কৰিছিল।

১৯৩৭ চনত কংগ্ৰেছ দলে ১৯৩৫ চনৰ চৰকাৰী আইনৰ অন্তৰ্গত সাধাৰণ নিৰ্বাচনত অংশগ্ৰহণ কৰে আৰু এই নিৰ্বাচনত গৰিষ্ঠ সংখ্যক ভোটত অমিয় কুমাৰ দাসে জয়লাভ কৰিছিল। ১৯৪০ চনত মহাত্মা গান্ধীয়ে অহিংসা সংগ্ৰামৰ নতুন আঁচনি ঘোষণা কৰে আৰু অহিংসাৰ প্ৰতিৰোধ সংগ্ৰামলৈ ৰাইজক আহ্বান জনায়। বৃটিছক ধন-জনৰে সহায় কৰাটো অন্যায় হিচাপে গণ্য কৰি অহিংস আন্দোলন আগুৱাই নিয়াৰ বাবে সত্যাগ্ৰহীসকলক নিৰ্বাচিত কৰি উলিওৱা হয়। সত্যাগ্ৰহীৰ নাম অনুমোদন জনোৱা কামটো সম্পাদন কৰিছিল মহাত্মা গান্ধীয়ে। অসমৰ পৰা প্ৰথম তালিকাতে অন্তৰ্ভুক্ত হয় অমিয় কুমাৰ দাসৰ নাম। এই আন্দোলনতো সত্যাগ্ৰহীসকলে জেল খাটিব লগীয়া হৈছিল। অমিয় কুমাৰে ছয় মাহ কাল কাৰাদণ্ড ভূগি ১৯৪১ চনৰ জুনত মুক্তি লাভ কৰে।



১৯৪২ চনৰ ৮ আগষ্ট তাৰিখে মোম্বাইৰ গোৱালিয়ৰত বহা এখন সভাত 'ভাৰত ত্যাগ' প্ৰস্তাৱ গ্ৰহণ কৰা হয়। এই সভাখনিত সভাপতিত্ব কৰিছিল মৌলানা আবুল কালাম আজাদে। অসমৰ সকলো ৰাইজেই এই 'ভাৰত ত্যাগ' আন্দোলনলৈ ব্যাপকভাৱে সঁহাৰি জনাইছিল আৰু এই আন্দোলন ৰূপান্তৰ হৈছিল গণ বিপ্লৱলৈ। এই গণ-বিপ্লৱৰ সময়ত ৰোগশয্যাত আছিল অমিয় কুমাৰ। তথাপি এই ৰোগ শয্যাৰ পৰাই তেওঁ জনতাক অমিয় বাণীৰে উদ্বুদ্ধ কৰিছিল। সদৌ অসমত গণ-বিপ্লৱত নেতৃত্ব দিয়া গোপীনাথ বৰদলৈ, সিদ্ধিনাথ শৰ্মা, তথা আন কেইজনমান নেতাক কাৰাদণ্ডেৰে দণ্ডিত কৰিছিল।

১৯৪২ চনৰ ৯ আগষ্টৰ পৰা ভাৰতবৰ্ষত আৰম্ভ হোৱা জনবিপ্লৱক মষিমূৰ কৰিবলৈ বৃটিছ চৰকাৰে সকলো ধৰণৰ দমননীতি ব্যৱহাৰ কৰে। সমগ্ৰ ভাৰতবৰ্ষত প্ৰায় দহ হাজাৰোধিকলোক পুলিচৰ গুলীত নিহত হয়। অসমৰ শোণিতপুৰ জিলাত স্বাধীনতা পিয়াসী লোকৰ বুকুৰ তেজেৰে নৈ বৈছিল।

'বিয়াল্লিশৰ আন্দোলনৰ আখৰাতে অমিয় কুমাৰে মহাত্মা গান্ধীৰ কৰ্ম আঁচনিৰ ওচৰত অনুগামী হোৱাৰ প্ৰতি সংকল্পিতা পুষ্পলতা শইকীয়াক জীৱন সংগিনী কৰে। এই পুষ্পলতাই গুৱাহাটী পাণবজাৰ ছোৱালী হাইস্কুলত পঢ়ি থাকোতে কানিংহাম চাৰ্কুলাৰৰ বিৰুদ্ধে সমূহেৰে শ্ৰেণী বৰ্জন কৰি প্ৰতিবাদ কৰিছিল।

১৯৪২ৰ ৯ আগষ্টৰ পৰাই দেশত সত্যাগ্ৰহী তথা আগশাৰীৰ নেতাসকলৰ ওপৰত পুলিচী জোৰ জুলুমৰ হাৰ বাঢ়িবলৈ ধৰিলে। অমিয় কুমাৰ ৰোগত আক্ৰান্ত হোৱাত জ্যোতিপ্ৰসাদ আগৰৱালাই পুষ্পলতাৰ সৈতে আলোচনা কৰি সত্যাগ্ৰহীসকলক মৃত্যু বাহিনী আৰু শান্তি বাহিনী দুটা ভাগত বিভক্ত কৰে। এই ভাগ মতে মৃত্যু বাহিনী (১৮ বছৰৰ পৰা ৫০ বছৰলৈ) যোগ দিয়া সত্যাগ্ৰহীসকল সকলো সময়তে সকলো পৰিস্থিতিতে মৃত্যুৰ বাবে প্ৰস্তুত হ'ল। আনহাতে শান্তি বাহিনীৰ সত্যাগ্ৰহীসকলে মুকলিভাবে আন্দোলনৰ প্ৰচাৰ, সভাসমিতি আদি কৰি সামাজিক শান্তি অটুট ৰখাত

দায়বদ্ধ থাকিল। সেইমতে পুষ্পলতাই দৰং জিলাৰ ঢেকিয়াজুলি, গহপুৰ, গমিৰি, চতিয়া আদি ঠাইত ৰাইজক সংগঠিত কৰিলে। ২০ চেপ্তেম্বৰত সকলো ঠাইতে পতাকা উত্তোলনৰ দিন ধাৰ্য কৰা হ'ল; তেজপুৰত ২১ চেপ্তেম্বৰত পতাকা উত্তোলনৰ তাৰিখ নিৰ্দিষ্ট কৰা হ'ল। ঠিক হ'ল সকলো ঠাইতে ৰাইজে শোভাযাত্ৰা কৰি গৈ পতাকা উত্তোলন কৰিব। কিন্তু ২০ চেপ্তেম্বৰৰ পুৱাতেই পুষ্পলতাক পুলিচে ভাৰতৰ প্ৰতিৰক্ষা আইনমতে গ্ৰেপ্তাৰ কৰে। অমিয় কুমাৰো শয্যাগত। সেইদিনাই গহপুৰ আৰু ঢেকিয়াজুলি পতাকা উত্তোলন কৰিবলৈ যোৱা ৰাইজৰ ওপৰত পুলিচে নিবিচাৰ গুলী চলাই তেজৰ নৈ বোৱালে। গহপুৰত কনকলতা বৰুৱা, মুকুন্দৰাম কাকতি আৰু ঢেকিয়াজুলিত মনবৰ নাথ, কুমলী নেওগ, খহুলি নাথ, ৰতন কছাৰী, মহীৰাম কোঁচ, মণিৰাম কছাৰী, তিলেশ্বৰী বৰুৱা, সৰুনাথ চুতীয়া, মংগল কুৰ্কু, দয়াল দাস পাণিকা আৰু লেৰেলা কছাৰী শ্বহীদ হ'ল।

গান্ধীবাদী নেতা হিচাপে অমিয় কুমাৰক প্ৰথম ভাগত চৰকাৰে কিছু ৰেহাই দিছিল যদিও জিলাৰ পৰিস্থিতি দোহাই দি ২১ চেপ্তেম্বৰত তেওঁকো গ্ৰেপ্তাৰ কৰে। জ্যোতিপ্ৰসাদ, গহন চন্দ্ৰ গোস্বামী, বিশ্বদেৱ শৰ্মাই আত্মগোপন কৰে।

তেজপুৰ জেলৰ পৰা অমিয় কুমাৰ আৰু পুষ্পলতাক যোৰহাট জেললৈ নিয়া হয়। ইয়াত প্ৰথম অৱস্থাত স্বামী-স্ত্ৰীক একেলগে থাকিবলৈ দিয়া হৈছিল যদিও পাছত পুষ্পলতাক নগাঁও জেললৈ নিয়া হ'ল। অমিয় কুমাৰ যোৰহাট জেলত থাকোতেই ১৯৪৩ চনৰ ১৫ জুনত কুশল কোঁৱৰৰ ফাঁচী হয়। ১৯৪৪ চনৰ ২৯ ডিচেম্বৰত অমিয় কুমাৰক গুৱাহাটী জেললৈ স্থানান্তৰ কৰে। অন্যহাতে পুষ্পলতাক ১৯৪৩ চনৰ ১৯ মে'ত নগাঁৱৰ পৰা গুৱাহাটী জেললৈ বদলি কৰা হয়।

**বিধান সভাত অমিয় কুমাৰৰ দায়িত্ব আৰু মন্ত্ৰীত্ব ঃ**

১৯৩৭ চনত অমিয় কুমাৰ কংগ্ৰেছৰ পৰা বিধান সভালৈ নিৰ্বাচিত হয়; জয়ী হোৱাৰ পাছত তেওঁলৈ দলপতিৰ পদ যচা হৈছিল যদিও গ্ৰহণ কৰা



নাছিল। অমিয় কুমাৰে অসমৰ বাবে সৰ্বনাশ হৈ থিয় দিয়া গ্ৰুপিং-ৰ সময়ত নিজৰ সবল স্থিতিত অটল থাকিব পাৰিছিল। পুনৰ ১৯৪৫ চনতো অমিয় কুমাৰ বিনা প্ৰতিদ্বন্দ্বিতাৰে বিধানসভালৈ নিৰ্বাচিত হয়। বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা অন্যান্য নেতাসকল আছিল ক্ৰমে বিষ্ণুৰাম মেধি, সিদ্ধিনাথ শৰ্মা, বিজয় চন্দ্ৰ ভাগৱতী, বসন্ত কুমাৰ দাস। কংগ্ৰেছে মুঠতে ৫৮টা সমষ্টিত জয়লাভ কৰে।

১৯৪৬ চনৰ ফেব্ৰুৱাৰীত নতুন মন্ত্ৰীৰ সভাই শপত লোৱাৰ পাছত 'গ্ৰুপিঙ'ৰ বিষয়টো কংগ্ৰেছৰ সদস্যসকলে আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰে। এই সিদ্ধান্ত মৰ্মে 'গ্ৰুপ'ত অন্তৰ্ভুক্তৰ বিৰোধিতা কৰি উৰ্দ্ধতন মহলত অবগত কৰিবলৈ অমিয় কুমাৰ দাসকে মুখ্য কৰি তৈয়বুল্লা, বিজয় চন্দ্ৰ ভাগৱতী, হৰেশ্বৰ গোস্বামী, ফকৰুদ্দিন আলি আহমেদ, নীলমণি ফুকন, পুষ্পলতা দাস আদি নেতাসকল দিল্লীলৈ যায় আৰু সেইসময়ত দিল্লীতে থকা গোপীনাথ বৰদলৈ প্ৰমুখ্যে কংগ্ৰেছৰ উৰ্দ্ধতন মহলত বিষয়টো দাঙি ধৰা হয়। অসম অৱশেষত 'গ্ৰুপিঙ'ৰ জৰিয়তে বংগৰ সৈতে চামিল হোৱাৰ পৰা ৰক্ষা পৰে।

অমিয় কুমাৰ দাসে ১৯৪৬ চনৰ পৰা ১৯৬২ চনলৈ একেৰাহে অসম বিধান সভাৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিবলগীয়া হৈছিল। ১৯৪৬ চনৰ বৰদলৈ মন্ত্ৰীসভাত অমিয় কুমাৰে কৃষি আৰু যোগান মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। বিষ্ণুৰাম মেধি মুখ্যমন্ত্ৰীত্বৰ কালত অমিয় কুমাৰে শিক্ষা, শ্ৰম আৰু জনজাতি উন্নয়ন বিভাগৰ দায়িত্ব পালন কৰিবলগীয়া হৈছিল।

যোগান বিভাগৰ মন্ত্ৰীত্বৰ কালত অসমৰ সৈতে ভাৰতবৰ্ষৰ ৰে'ল যোগাযোগ উন্নত কৰাৰ বাবে কাৰ্যপন্থা গ্ৰহণ কৰে। শিলিগুৰি বাৰাউনী ৰে'লপথ তেতিয়াই গঢ়ি উঠে। যোগান বিভাগত চলি থকা অন্যান্য দুৰ্নীতিৰ বিৰুদ্ধে অমিয় কুমাৰে সাহসেৰে থিয় দিছিল।

অন্যহাতে শ্ৰম মন্ত্ৰীৰ দায়িত্ব কালত চাহ শ্ৰমিকসকলৰ কল্যাণসাধন তেওঁৰ অন্যতম কৰ্মব্ৰত আছিল। আইনৰ জৰিয়তে চাহ শ্ৰমিকসকলৰ

ভবিষ্যনিধিৰ ধন জমা কৰাটো বাধ্যতামূলক কৰা হয়। এনে আইন প্ৰণয়ন কৰা এচিয়াৰ ভিতৰতে অসম প্ৰথম ৰাজ্য আছিল। চাহ শ্ৰমিকসকলৰ স্বাৰ্থত ভৱিষ্যনিধি সম্পৰ্কীয় আইনখন অনুমোদন কৰাৰ ক্ষেত্ৰত প্ৰথমাৱস্থাত কেন্দ্ৰীয় চৰকাৰে হোহকা পিছলা কৰাত অমিয় কুমাৰে দায়িত্ব এৰিবলৈকো সাজু হৈছিল। চাহ শ্ৰমিকৰ ৰাইজৰ সন্তানৰ বাবে বিনামূলীয়া প্ৰাথমিক শিক্ষা, বুনিয়াদী শিক্ষা পদ্ধতিৰ প্ৰয়োগ আদি অমিয় কুমাৰৰ উদ্যোগৰ ফল। তেখেতৰ শিক্ষা মন্ত্ৰীত্বৰ কালতেই দৰাচলতে বুনিয়াদী শিক্ষা ব্যৱস্থাৰ প্ৰসাৰ ঘটে।

জনজাতীয়লোকৰ ভাষাসমূহৰ বিকাশ, অধ্যয়ন আৰু গৱেষণাৰ বাবে শিক্ষামন্ত্ৰী হিচাবে অমিয় কুমাৰে আঁচনি যুগুতাইছিল। এই উদ্দেশ্যৰ ফলশ্ৰুতিতেই গুৱাহাটীত 'অসম একাডেমী ফৰ কালচাৰেল ৰিলেচন্চ' ১৯৬০ চনত প্ৰতিষ্ঠিত হৈছিল। তেওঁ কৈছিল, 'শিক্ষানীতিৰ পৰিবৰ্তন, অৰ্থনৈতিক উন্নতি, দুৰ্নীতি ইত্যাদি সমস্যাৰ সমাধান কেনেকৈ কৰিব পাৰি, সেইটোৱেই জাতিৰ সমুখত এটি ডাঙৰ প্ৰশ্ন ..... আমি পশ্চিমীয়া দেশ বিলাকক অন্ধৰ দৰে অনুসৰণ নকৰি আমাৰ পৰিস্থিতিৰ লগত খাপ খুৱাব পৰাকৈ কেনেকৈ এটা সমাধান সূত্ৰ উলিয়াব পাৰি সেই বিষয়ে সকলোৱে চিন্তা কৰিবলগীয়া হৈছে।'

গাঁৱৰ মহিলাৰ উন্নয়নৰ বাবে 'কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক নিধি,' আৰু, বনুৱা, আদিবাসী ৰাইজৰ উন্নয়নৰ বাবে 'শ্ৰমিক উন্নয়ন কেন্দ্ৰ', 'সেৱা কেন্দ্ৰ' আদি প্ৰতিষ্ঠা কৰাত অমিয় কুমাৰৰ তৎপৰতাই প্ৰধান আছিল। শ্ৰম মন্ত্ৰীত্বৰ কালত তেওঁ বহুবাৰ ভাৰতীয় দলৰ নেতৃত্ব লৈ জেনেভাত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সন্মিলনত অংশগ্ৰহণ কৰিছিল।

১৯৬২ চনৰ চীনৰ ভাৰত আক্ৰমণৰ সময়ত অমিয় কুমাৰ দাস ঢেকিয়াজুলি সমষ্টিৰ বিধায়ক আছিল। পৰিস্থিতিৰ বুজ ল'বলৈ তেওঁ তেজপুৰলৈ আহিছিল আৰু ২০ নৱেম্বৰৰ আতংকগ্ৰস্ত নিশাটো ঢেকিয়াজুলি ৰাইজৰ লগতে কটাই নিৰাপত্তাৰ আশ্বাস দিছিল।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ ১৯২১, '৩০', '৩২', '৩৩' ,'৪০', '৪২' ৰ ঐতিহাসিক বৰ্ষকেইটাত সক্ৰিয়ভাবে সংগ্ৰামৰ পথাৰত নামি পৰা



অমিয় কুমাৰে সুদীৰ্ঘ কাল জেলজীৱন কটাবলগীয়া হৈছিল। তেখেতে ছয়বাৰ কাৰাবৰণ কৰিছিল আৰু '৩০ চনত ছমাহ, '৪০ ৰ আন্দোলনত ছমাহ আৰু '৪২ৰ আন্দোলনত দুবছৰ জেলজীৱন কটায়।

**সাহিত্য, সংবাদ জগতত অমিয়কুমাৰ ঃ**

শিশু প্ৰাণতে দেশমুক্তিৰ বাণীয়ে উখলমাখল লগোৱা অমিয় কুমাৰৰ কলমতো শব্দৰ জোৱাৰে খলকনি তুলিছিল। সংগ্ৰামৰ স্বাৰ্থত, দেশ-বিদেশৰ সাহিত্যৰ সৈতে অসমৰ ৰাইজক পৰিচয় কৰি দিয়াৰ লক্ষ্যত, তেওঁ শ্ৰদ্ধাশীল হোৱা ব্যক্তিৰ ৰচনাৰাজিক দেশবাসীৰ সৈতে পৰিচয় কৰোৱাৰ উদ্দেশ্যে অমিয় কুমাৰে হাতত কলম তুলি লৈছিল। আজিৰ সাহিত্যিকৰ দৃষ্টিভংগী কেনে হোৱা উচিত অমিয় কুমাৰে উপলব্ধি কৰিব পাৰিছিল। সেয়ে তেওঁ কৈছিল, 'নতুন যুগৰ সাহিত্যিকে ৰূপ দি ফুটাই তুলিব লাগিব সাধাৰণ মানুহৰ চৰিত্ৰৰ সৌন্দৰ্য। সাধাৰণ মানুহৰ জীৱনৰ ভিতৰত তেওঁ সোমাব লাগিব। সাধাৰণ মানুহৰ জীৱনৰ বৈচিত্ৰৰ আৰু লুইতৰ দৰে বিপুল প্ৰবাহৰ পৰা তেওঁ বিচাৰি আনিব লাগিব নতুন যুগৰ সৃষ্টিৰ প্ৰেৰণা......।' দেশৰ স্বাধীনতা সংগ্ৰামৰ প্ৰতি যি অক্লান্তিক নিষ্ঠা, ত্যাগ, ৰাজনৈতিক ক্ষমতাত অধিষ্ঠিত হোৱা পাছত গাঁৱলীয়া ৰাইজ, শ্ৰমিক তথা জনজাতীয় ৰাইজৰ স্বাৰ্থৰ হকে কাম কৰাৰ যি মনোভাব, সেয়াই আচলতে অমিয় কুমাৰৰ সাহিত্য সেৱাৰ বুনিয়াদ। এই লক্ষ্যক আগুৱাই নিয়াৰ বাবে কেতিয়াবা যদি অমিয় কুমাৰে সৃষ্টিৰ বাবে কলম হাতত তুলি লৈছিল, কেতিয়াবা সংবাদ বিলাবৰ বাবেও কলম ধৰিছিল।

সাধাৰণলোকৰ সহজে বোধগম্য হোৱা, সমাজৰ জটিল তথা গভীৰ বিষয়বস্তুৰ সহজ উপস্থাপন আদি অমিয় কুমাৰ দাসৰ সৃষ্টিৰ আঁৰত সদায় থিয় দি আছিল। 'সাদিনীয়া অসমীয়া', 'বাঁহী',ৰ সম্পাদনা (১৯৩৪-১৯৩৬ চনলৈ) ৰ দায়িত্ব তেখেতে সময় সাপেক্ষে গ্ৰহণ কৰিছিল আৰু বিশিষ্টতা অটুট ৰাখিবলৈ সক্ষম হৈছিল। সহজ সৰল প্ৰকাশভংগী, সৌন্দৰ্য্যপূৰ্ণ আৰু দুৰ্বোধ্যহীন তেওঁৰ লেখনিয়ে গৰিষ্ঠসংখ্যক পাঠকক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল।

'বাঁহী' আলোচনীত প্ৰকাশ হোৱা অমিয় কুমাৰৰ ৪১ খন ৰচনা 'বাঁহীৰ প্ৰতিধ্বনি' নামেৰে সংৰক্ষিত হৈছে। এই লেখাসমূহৰ ৰচনাশৈলী, চিন্তাৰ সতেজতা তথা নিৰ্ভীকতা অনুকৰণীয়।

অনুবাদ সাহিত্যৰ ক্ষেত্ৰতো অমিয় কুমাৰে অসমীয়া সাহিত্যত এক সুকীয়া স্থান ৰাখি গৈছে। অনুবাদ সাহিত্যত তেখেতৰ মূল বিশিষ্টতা হ'ল ভাষাৰ মৌলিকতা। মহাত্মা গান্ধীৰ বিভিন্ন গ্ৰন্থ তথা লেখা তেখেতে অসমীয়ালৈ অনুবাদ কৰি গৈছে। মহাত্মা গান্ধীৰ 'My Experiment With Truth' নামৰ আত্মজীৱনীমূলক গ্ৰন্থখনি অমিয় কুমাৰে 'মোৰ সত্য অন্বেষণৰ কাহিনী' নামেৰে অসমীয়ালৈ অনুবাদ কৰিছিল। ইয়াৰ উপৰিও মহাত্মা গান্ধী অসমলৈ আহোতে বিভিন্ন সময়ত দিয়া ভাষণসমূহ থুপাই অমিয় কুমাৰ দাসে নিজে উদ্যোগ লৈ 'অসমত মহাত্মা' নামেৰে প্ৰকাশ কৰিছিল। মহাত্মা সম্পৰ্কীয় অমিয় কুমাৰ দাসৰ অন্যান্য গ্ৰন্থসমূহ হ'ল, 'দক্ষিণ আফ্ৰিকাত মহাত্মা', 'বিলাতত মহাত্মা', 'মেজমেলত মহাত্মা', 'গান্ধী কথামৃত', 'অনশনত মহাত্মা', 'গান্ধীজীৰ জীৱনী' ইতাদি। 'কংগ্ৰেছৰ বুৰঞ্জী,' 'ভাৰতৰ ৰাজকীয়' ঋণ তেওঁৰ দুখন দুষ্প্ৰাপ্য গ্ৰন্থ। চেখভৰ এলানি গল্প অমিয় কুমাৰে অনুবাদ কৰি 'চেখভৰ গল্প' নামেৰে প্ৰকাশ কৰিছিল।

**১৯২১**ৰ আন্দোলনৰ বিভিন্ন দিশ সামৰি তেখেতে লিখা 'অসহযোগ আন্দোলনত অসম' **১৯৬১** চনত প্ৰকাশ পায়। 'জীৱন-স্মৃতি' তেখেতৰ বৰ্নাঢ্য অভিজ্ঞতাময় সংগ্ৰামী জীৱনৰ সৌধ। 'সাপ্তাহিক অসমীয়া', 'বাঁহী'ৰ সম্পাদনাৰ উপৰিও অমিয় কুমাৰ দাসে হেম বৰুৱা, বিজয় ভাগৱতীৰ সৈতে 'আসাম সেৱক' নামৰ আন এখন কাকতো সম্পাদনা কৰিছিল।

লক্ষণীয় যে, অমিয় কুমাৰ দাসৰ সাহিত্য-সংবাদ সেৱাৰ আঁৰতো আছিল জনমুখী আশা-আকাংক্ষা, লক্ষ্য। 'বাঁহী'ৰ আকাংক্ষা প্ৰকাশ কৰি তেওঁ কৈছিল, '..... আজি অসমীয়ায়ো বিশ্বজগতৰ চিন্তা- ৰাজ্যৰ পোহৰ পৰিবলৈ খিড়িকীখন মেলি দিব লাগিব। বিশ্ব জগতৰ ভাৱ ৰাজ্যৰ পোহৰত অসমীয়াই নিজৰ জাতীয় বৈশিষ্ট্য ৰক্ষা কৰি নিজৰ অন্তৰ আত্মাক উপলব্ধি কৰি জগতত যাতে আত্ম প্ৰতিষ্ঠ হ'বলৈ সমৰ্থ হয়, তাৰ বাবে সাধনা কৰিব লাগিব .....।'

ইয়াৰ আগতে সম্পাদনা কৰা 'সাপ্তাহিক অসমীয়া'ৰ লক্ষ্য আৰু উদ্দেশ্যৰ সম্পৰ্কতো অমিয় কুমাৰ দাসে বহল মন আৰু দৃষ্টিভংগীৰ পৰিচয়



দিছিল। যুগ-যুগান্তৰৰ দাসত্ব মোচনৰ হেতু স্বৰাজৰ প্ৰবল স্পৃহা আৰু স্বাধীনতাৰ অদম্য সাহসেৰে অসমত বসবাস কৰা সকলো সম্প্ৰদায়কে বিপদক তুচ্ছ কৰি দুৰ্দান্ত শক্তিৰ পৰিচয় দিবলৈ অমিয় কুমাৰ দাসে 'সাপ্তাহিক অসমীয়া'ৰ যোগেদি ঘোষণা কৰিছিল।

**সংগ্ৰামী জীৱনৰ যৱনিকা ঃ**

**১৯৭৫** চনৰ **২৩** জানুৱাৰীৰ দিনা অমিয় কুমাৰ দাসে আশী বছৰ বয়সত জীৱন নাট সামৰে। শৈশৱতে দেশ মুক্তিৰ আহ্বান শুনি মজিয়াৰ পৰা ৰাজপথলৈ ওলাই অহা মানুহজনে স্বাধীনতাৰ পণত অসমবাসীক একত্ৰিত কৰি উদ্বুদ্ধ কৰিবলৈ প্ৰাণেৰে, কলমেৰে, সংগ্ৰামেৰে বাট দেখুৱালে। এক সহজ সৰল জীৱন যাত্ৰা-প্ৰণালীৰে স্বাধীনতা অৰ্জনৰ পাছতো চানেকি দাঙি ধৰা অমিয় কুমাৰ দাস যথাৰ্থতে আছিল দেশ-সমাজ গঢ়োঁতা, বনুৱা, পীড়িতজনৰ প্ৰতি সহৃদয় আৰু সমস্যা-সমাধান আৰু দুখ মোচনৰ প্ৰত্যাশী, অসমত বসবাস কৰা জাতি-জনজাতিৰ সমন্বয় আকাংক্ষী। দেশমুক্তিৰ সংগ্ৰামৰ ব্যস্ততাপূৰ্ণ, কষ্টকৰ সময় শেষ হোৱাৰ পাছত বিধান সভালৈ নিৰ্বাচিত হৈ তেখেতে সৰ্বসাধাৰণ ৰাইজৰ কল্যাণৰ হকেই চিন্তা কৰিলে, কাম কৰি যাবলৈ প্ৰয়াস কৰিলে। নিজৰ সুখ- স্বাচ্ছন্দ্য, ভোগ-সম্পত্তিৰ প্ৰতি কোনোদিন লালায়িত নহৈ সাধাৰণ জীৱন যাপনক আঁকোৱালি ল'লে।

লোক সেৱাত আত্মনিয়োগ কৰি জীৱন সাৰ্থক কৰা এইজন ব্যক্তিক অসমৰ ৰাইজে লোকনায়ক ৰূপে বন্দনা কৰি আহিছে। লোকনায়ক অমিয়কুমাৰ দাস দেশসেৱা, জনসেৱা কৰিবলৈ ওলাই অহাসকলৰ কৰ্মপ্ৰেৰণা হওক, এইয়াই সময়ৰ আহ্বান।

◆◆◆